সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ০৯সংখ্যা, ১৬ ফাগুন , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 09 Date of Publication- 1 March 2026 Rs. 10.00/-

## ইৰানত ভয়ংকৰ মিছাইল আক্ৰমণ ইজৰাইল-আমেৰিকাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ইৰান আৰু ইজৰাইল- আমেৰিকাৰ মাজত দীৰ্ঘদিনীয়া সংঘাত যুদ্ধলৈ পৰ্যবসিত হৈছে। পাৰমাণৱিক গৱেষণা তথা অস্ত্ৰ নিৰ্মাণৰ স্থিতিত অটল থকা ইৰানৰ ওপৰত ক্ষেপণাস্ত্ৰৰে ভয়ংকৰ আক্ৰমণ চলায় ইজৰাইলে। ইৰানৰ ৰাজধানী তেহৰানকে ধৰি অন্যতম গুৰুত্বপূৰ্ণ চহৰ ইছফাহান- কুম- কাৰাজ- কেৰমামশ্বাহ চহৰত ইজৰাইলে বৃহৎ আক্ৰমণ চলোৱাৰ পিছতে মধ্যপ্ৰাচ্যত ভয়ংকৰ ৰূপ ধাৰণ কৰিছে যুদ্ধই। ইজৰাইলক পূৰ্ণ সহযোগ কৰে মিত্ৰ আমেৰিকাই। মিত্ৰ বাহিনীয়ে ইৰানৰ বিৰুদ্ধে চলোৱা এই অভিযানৰ নামকৰণ কৰিছে “লায়ন্স ৰোৰ”। প্ৰত্যুত্তৰৰ আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে ইৰানেও। এই আক্ৰমণত প্ৰধানতঃ ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লা আলী খামেনেই আৰু ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ানক লক্ষ্য কৰি লোৱা হৈছে। শনিবাৰে পুৱাতে হঠাতে তেহৰানত কেইবাটাও বিস্ফোৰণ সংঘটিত হয়। সৰ্বসাধাৰণক আতংকিত কৰি তোলা এই বিস্ফোৰণৰ কিছু সময়ৰ পাছতেই ইৰানৰ ওপৰত আক্ৰমণ চলোৱা বুলি দাবী কৰে ইজৰাইলে। অনুৰূপ দাবী মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰো। পেন্টাগনৰ তৰফৰ পৰা স্পষ্টভাৱে কোৱা হয় যে ইৰানৰ বিৰুদ্ধে চলোৱা আক্ৰমণত ইজৰাইলক আমেৰিকাই সম্পূৰ্ণৰূপে সহযোগ কৰিছে। এক ভিডিঅ' বাৰ্তাত আক্ৰমণ চলোৱাৰ কথা নিশ্চিত কৰি মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পে কয় যে ইৰানৰ বৰ্তমানৰ শাসকগোষ্ঠীক বিতাড়িত কৰি জনগণক সুৰক্ষিত কৰাটোৱেই আমাৰ কাম। আমি ইৰানৰ ক্ষেপণাস্ত্ৰ ধ্বংস কৰিবলৈ ওলাইছোঁ। তেওঁলোকৰ ক্ষেপণাস্ত্ৰ ভাণ্ডাৰক মাটিত মিলাই দিয়া হ'ব। ধ্বংস কৰিম ইৰানৰ নৌবাহিনী। ইৰানে আত্মসমৰ্পণ কৰক, অন্যথা মৃত্যু নিশ্চিত। এখন বিদ্ৰোহী ৰাষ্ট্ৰৰ

( দহ পৃষ্ঠাত চাওক)


## গুপ্তেশ্বৰ মন্দিৰত সেৱা জনাই বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা আৰম্ভ



ৰঙিলী বাৰ্ত্তাসেৱা- বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত শাসকীয় বিজেপিয়ে শোণিতপুৰ জিলাৰ ঐতিহাসিক ঢেকীয়াজুলিৰ পৰাই নিৰ্বাচনী ৰণডংকা বজালে। শোণিতপুৰ জিলাৰ শাসকীয় বিজেপিয়ে পৰা আৰম্ভ কৰিছে ‘জন আশীৰ্বাদ যাত্ৰা’। বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পূৰ্বে ভোটাৰৰ মনৰ বাৰ্তা ল'বলৈ ঢেকীয়াজুলিৰ গুপ্তেশ্বৰ মন্দিৰৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰম্ভ কৰা এই জন আশীৰ্বাদ যাত্ৰাৰ সংগী হ'ল ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াকে ধৰি দলৰ কেইবাজনো জ্যেষ্ঠ নেতা। উল্লেখ্য যে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰা বিজেপিয়ে এই জন আশীৰ্বাদ যাত্ৰা কাৰ্যতঃ পৰিণত হ'ল

( দুই পৃষ্ঠাত চাওক)

## ৮ মাৰ্চৰ পৰা কুমাৰ ভাস্কৰ বৰ্মা সেতুৰে চলিব যান-বাহন



ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং ‘কুমাৰ ভাস্কৰ বৰ্মা সেতু’ উদ্বোধন কৰিছিল। দলংখন উদ্বেধন কৰিছিল যদিও কেৱল পথচাৰীয়ে খোজকাঢ়ি অহা-যোৱাৰ কাৰণেহে মুকলি কৰা হৈছিল আৰু এক মাৰ্চৰ পৰা দুচকীয়া আৰু চাৰিচকীয়া বাহন চলাচল কৰিব দিয়া হ'ব বুলি কৈছিল যদওি এতিয়া ১ মাৰ্চৰ পৰিবৰ্তে ৮ মাৰ্চতেহে মুকলি হ'ব কুমাৰ ভাস্কৰ বৰ্মা সেতু। মুকলিৰ পিছত লঘু যান বাহনহে চলিবলৈ দিয়া হ'ব সেতুখনত।

( দুই পৃষ্ঠাত চাওক)


## ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেইনিৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- ইজৰাইল আৰু আমেৰিকাই যৌথভাৱে চলোৱা বৃহৎ আক্ৰমণত ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেইৰ মৃত্যু হয়। ইৰানৰ ছুপ্ৰিম লীডাৰ আয়াতুল্লাহ আলী খামেইনিৰ ইজৰাইল আৰু আমেৰিকাই যৌথভাৱে চলোৱা এই আক্ৰমণত মৃত্যু হোৱা বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পে দাবী কৰাৰ পিছতে ইৰানৰ সামৰিক বাহিনী, ৰাষ্ট্ৰীয় সংবাদ সংস্থাই এতিয়া

(দহ পৃষ্ঠাত চাওক)

## আমেৰিকা-ইজৰাইলৰ আক্ৰমণত ইৰানৰ স্কুলত ৫৩ ছাত্ৰী নিহত



ৰঙিলী বাৰ্ত্তাসেৱা- আমেৰিকা-ইজৰাইলে ইৰানৰ ওপৰত চলোৱা আক্ৰমণৰ এক কৰণ পৰিণতি। আমেৰিকা-ইজৰাইল বাহিনীয়ে ইৰানক লক্ষ্য কৰি নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰই ধ্বংস কৰে এখন ছোৱালীৰ বিদ্যালয়। যাৰ ফলত অতি শোকাৱহভাৱে মৃত্যুক সাবটি লয় ৫ৱ কণমানি ছাত্ৰীয়ে। ইৰানৰ ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰিত দাবী কৰা অনুসৰি আমেৰিকা-ইজৰাইল বাহিনীৰ ক্ষেপণাস্ত্ৰই ধ্বংস

(দহ পৃষ্ঠাত চাওক)

# শিল্পী-সাহিত্যিকসকলে আমাৰ সমাজখনক যুগে যুগে বাট দেখুৱাই আহিছেঃ বিমল বড়া

ৰঙিলী বাৰ্ত্তাসেৱা- সাহিত্যিক সকলে আমাৰ সমাজখনক যুগে যুগে বাট দেখুৱাই আহিছে। এই বাট পোহৰৰ বাট। এই বাট সত্যৰ বাট। প্ৰজ্ঞা আৰু সুন্দৰৰ বাট। শনিবাৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে প্ৰদান কৰা ভাষণত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল




বড়াই এইদৰে কয়। শিল্পীসকলক আলোকৰ যাত্ৰী বুলি অভিহিত কৰি মন্ত্ৰী বিমল বড়াই শিল্পীসকলে ( তিনিপৃষ্ঠাত চাওক)

# গুপ্তেশ্বৰ মন্দিৰত সেৱা জনাই

জনসমুদ্ৰলৈ। ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনত ব্ৰিটিছবিৰোধী গণ সংগ্ৰামত অংশগ্ৰহণ কৰি শ্বহীদ হোৱা পবিত্ৰ ভূমি ঢেকীয়াজুলিৰ পৰাই আৰম্ভকৰা এই যাত্ৰাই অসমৰ ভৱিষ্যৎ নিৰ্ণয় কৰিব বুলি উল্লেখ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তৃতীয়বাৰৰ বাবে দিছপুৰ দখলৰ লক্ষ্যৰে আৰম্ভ কৰা এই জন আশীৰ্বাদ যাত্ৰাই অহা সময়ছোৱাত সামৰি ল'ব ৰাজ্যৰ ৩৫টাকৈ বিধানসভা সমষ্টিক। মুখ্যতঃ সৰ্বস্তৰৰ জনতাৰ আশীৰ্বাদ বিচাৰি ঢেকীয়াজুলিৰ পৰা আৰম্ভ কৰা এই যাত্ৰা ঢেকীয়াজুলিৰ পৰা বৰছলা হৈ তেজপুৰ, নদুৱাৰ, ৰঙাপৰা সমষ্টিক সাঙুৰি ল'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এখন বিকশিত, সুৰক্ষিত অসম গঢ়াৰ লক্ষ্যৰে সংকল্পবদ্ধ হোৱা বিজেপিয়ে সৰ্বস্তৰৰ ৰাইজৰ আশীৰ্বাদ বিচাৰি আৰম্ভ কৰা এই যাত্ৰাৰ শুভাৰম্ভ হয় গুপ্তেশ্বৰ মন্দিৰত। দেৱবাদ্য আৰু শংখধ্বনিত মুখৰ হোৱা ঢেকীয়াজুলিৰ গুপ্তেশ্বৰ মন্দিৰত মুখ্যমন্ত্ৰীয়ে পূজা-অৰ্চনা কৰি ৰাজ্যবাসীৰ হৈ আশিস বিচাৰে। বৰছলাৰ বৰভগীয়া গাঁৱৰ দক্ষিণ বৰছলা হাইস্কুল খেলপথাৰত দবা-শংখ-খোল-তালৰ ধ্বনিৰ মাজতে আৰম্ভ কৰা এই আশীৰ্বাদ যাত্ৰাৰ পূৰ্বে বিজেপিৰ কাৰ্যকৰ্তা আৰু উপস্থিত সহস্ৰাধিক লোকক উদ্দেশ্যি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ আহ্বান-বিজেপি চৰকাৰ গঠন কৰিবলৈ আকৌ এবাৰ সুবিধা দিয়ক। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ২০২৬ চনৰ নিৰ্বাচনত বিজেপিয়ে যাতে পুনৰ জয়ী হ'ব পাৰে তাৰ বাবে আপোনালোকৰ আশীৰ্বাদ বিচাৰিছোঁ। ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আপোনালোকে নিৰ্বাচিত কৰিছিল। ২০১৬ চনত সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত বিজেপিৰ প্ৰথমখন চৰকাৰ আপোনালোকে গঠন কৰিছিল। ২০২১ চনত পুনৰ আপোনালোকে বিজেপি চৰকাৰ গঠন কৰি দিছিল। এই গোটেই সময়ছোৱাত আমি অসমৰ ৰাইজৰ বাবে কাম কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰিছিলোঁ। বিজেপিক পুনৰ চৰকাৰ গঠনৰ সুবিধা দিয়ক, আমি অসমক বিকাশৰ গতিৰে লৈ যাম, অনিৰুদ্ধ গতিৰে লৈ যাম, অসমক আমি সুৰক্ষিত কৰিম আৰু অসমখনক ভাৰতৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ ৰাজ্য হিচাপে নিৰ্মাণ কৰিম। বিগত বিজেপিৰ দুটাকৈ কাৰ্যকালত ৰাজ্যবাসীৰ বাবে হিয়া উজাৰি কাম কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই সময়ছোৱাত হোৱা ভুল-ভ্ৰান্তিৰ বাবেও ক্ষমা বিচাৰে ভোটাৰ ৰাইজক। তেওঁ কয়-যিমান সম্ভৱ হয় আমি অসমৰ ৰাইজৰ বাবে কাম কৰাৰ প্ৰচেষ্টা কৰিছিলোঁ। আজি অসমৰ পৰিৱৰ্তিত যি পৰিবেশ, বিকাশৰ যি প্ৰতিচ্ছবি সেয়াই প্ৰমাণ কৰে যে যোৱা ১০টা বছৰত আমি অসমৰ ৰাইজক হিয়া উজাৰি সেৱা কৰাৰ প্ৰচেষ্টা কৰিছিলোঁ। কৰিব বিচৰা কাম বা আপোনালোকে আশা কৰা ধৰণে বহু কাম হয়তো আমি কৰিব পৰা নাই। কিন্তু চৰকাৰে চেষ্টাৰ ত্ৰুটি কৰা নাছিল। ইয়াৰ ফলতে আমি এখন পৰিৱৰ্তিত, বিকশিত, সুৰক্ষিত অসম দেখা পাইছোঁ। দৰিদ্ৰজনৰ কল্যাণ, মধ্যবিত্তসকলৰ কল্যাণ, কৃষক-শ্ৰমিক সকলোৰে বাবে আমি একেলগে কাম কৰিম। ঢেকীয়াজুলিত শুভাৰম্ভ হোৱা জন আশীৰ্বাদ যাত্ৰাৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাক উষ্ম আদৰণি জনালে ঢেকীয়াজুলিৰ বিজেপি কাৰ্যকৰ্তাই। মুখ্যমন্ত্ৰীগৰাকীক সম্ভাষণ জনোৱাৰ পূৰ্বেই দলৰ কাৰ্যকৰ্তাক উদ্দেশ্যি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ মন্তব্য- আমাৰ পৰিচয় আমি হেৰাই যাব দিব নোৱাৰোঁ। বিদেশীৰ ষড়যন্ত্ৰ ভেদ কৰি আই অসমীক উদ্ধাৰ কৰিব লাগিব। বিদেশীক সমৰ্থন কৰাসকলক উচিত প্ৰত্যুত্তৰ দিয়াজনৰ নাম হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। যিসকলে ড° হিমন্ত বিশ্ব শৰ্মা কোন বুলি প্ৰশ্ন কৰে, সেইসকলক আজি আমি জনাব বিচাৰিছোঁ, ড° শৰ্মা কেৱল বিজেপিৰ নেতা নহয়, ৰাজ্যবাসীৰ নেতা। বিৰোধীয়ে যুঁজ কৰাৰ কথা কয়। কিন্তু কাৰ লগত যুঁজ কৰিব, খিলঞ্জীয়াৰ সৈতে যুঁজ কৰিবলৈ সাজু হৈছে নেকি? সন্দেহযুক্ত বাংলাদেশীৰ সুৰক্ষাৰ স্বাৰ্থত সাজু হৈছে নেকি বিৰোধী? সন্দেহযুক্ত বাংলাদেশীৰ সমৰ্থন লৈ খিলঞ্জীয়াৰ বিৰুদ্ধেহে যুঁজ কৰিবলৈ সাজু হৈছে। জন আশীৰ্বাদ যাত্ৰাৰ মূল উদ্দেশ্য ব্যাখ্যা কৰি সভাপতিগৰাকীয়ে কয়- অসমৰ জনতাৰ আশিস বিচাৰি, এখন সুৰক্ষিত-বিকশিত অসম নিৰ্মাণৰ বাবে এই যাত্ৰাই নিশ্চিতভাৱে ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব। সমাগত বিধানসভা নিৰ্বাচনত বিজেপি তথা এনডিএই পুনৰ এবাৰ ৰাজ্যবাসীৰ আশীৰ্বাদত তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিব পাৰিব। অহা ৯ দিনৰ ভিতৰত এই জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে ৩৫টা সমষ্টিক সাঙুৰি ল'ব। উল্লেখ্য যে ১ মাৰ্চত এই জন আশীৰ্বাদ যাত্ৰাই জাগীৰোড, মৰিগাঁওঁ, ৰহা, নগাঁও, বঢ়মপুৰ সাঙুৰি লোৱাৰ পাছত ২ মাৰ্চত গহপুৰ, বিহপুৰীয়া, ৰঙানদী আৰু নাওবৈচা সমষ্টি সাঙুৰি ল'ব। ৫ মাৰ্চত আশীৰ্বাদ যাত্ৰাই সাঙুৰিব ধেমাজি, চিচিবৰগাঁও আৰু জোনাই। ৬ মাৰ্চত আশীৰ্বাদ যাত্ৰা উপস্থিত হ'ব খোৱাং, মাহমৰা, টিংখাং, নাহৰকটীয়া, দুলীয়াজান। ৭ মাৰ্চত আশীৰ্বাদ যাত্ৰা লৈ মুখ্যমন্ত্ৰী উপস্থিত হ'ব সৰুপথাৰ, গোলাঘাট, ঘুমটাই আৰু দেৰগাঁৱত। ৮ মাৰ্চত আশীৰ্বাদ যাত্ৰাই সাঙুৰিব মাৰ্ঘেৰিটা, ডিগবৈ, মাকুম আৰু তিনিচুকীয়া। ৯ মাৰ্চত অন্ত পৰিবলগা আশীৰ্বাদ যাত্ৰা উপস্থিত হ'ব সৰভোগ, বজালী, টিহু, নলবাৰী আৰু ৰঙিয়া। প্ৰায় কুৰিখন গাড়ীৰে আগবঢ়া আশীৰ্বাদ যাত্ৰা ঢেকীয়াজুলি সমষ্টিৰ বৰছলা, ডুমডুমা, বৰঝাৰ, চিৰাজুলি, নাৰায়ণপুৰ, ৰবৰতলা, ভোটপাৰা, ঢেকীয়াজুলি টাউনলৈ আগবাঢ়ে। যাত্ৰাপথত বাটৰ দুয়োকাষে ৰৈ থকা হাজাৰ হাজাৰ লোকে শংখধ্বনি, উৰুলি, দেৱবাদ্যৰে মুখ্যমন্ত্ৰীক আদৰণি জনায় আৰু পুষ্পবৃষ্টি কৰি আশীৰ্বাদ দিয়ে। ১৩গৰাকী বীৰ শ্বহীদৰ আত্মবলিদানৰ বীৰগাথাৰ স্মৃতি বিজড়িত ঢেকীয়াজুলি নগৰৰ মাজমজিয়াত স্থাপিত শ্বহীদ স্তম্ভত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বিশাল জনসমাগমৰ মাজেৰে মুখ্যমন্ত্ৰীগৰাকীয়ে বৰছলাত উপস্থিত হয়। বৰছলা সমষ্টিৰ বিধায়ক গণেশ লিম্বুৰে শংখ-ঘণ্টা-খোল-তাল-পুষ্পবৃষ্টিৰে মুখ্যমন্ত্ৰীগৰাকীক আদৰণি জনায়। মুখ্যমন্ত্ৰীৰ এই যাত্ৰাপথত বৰছলা সমষ্টিৰ ডাংগাবস্তি, ঠেলামাৰা, কাৰৈমাৰী, টুমুকী, বিহগুৰি গাঁৱৰ হাজাৰ হাজাৰ লোকে মুখ্যমন্ত্ৰীগৰাকীক হিয়া উজাৰি আশীৰ্বাদ দিয়ে। বিশাল জনসমুদ্ৰৰ মাজেৰে মুখ্যমন্ত্ৰীগৰাকী তেজপুৰত উপস্থিত হয়। জন আশীৰ্বাদ যাত্ৰাত মুখ্যমন্ত্ৰী ড° শৰ্মাক সংগ দিলে সভাপতি দিলীপ শইকীয়াৰ লগতে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী অশোক সিংহলে।

# এছিয়ান বক্সিং চেম্পিয়নশ্বিপত অসম কন্যা লাভলীনা, অংকুশিতা



ৰঙিলী বাৰ্ত্তাসেৱা- অলিম্পিক পদকজয়ী অসম কন্যা লাভলীনা বৰগোহাঁই আৰু বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ স্বৰ্ণজয়ী অসম কন্যা অংকুশিতা বড়োৱে এছিয়ান বক্সিং প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত ভাৰতীয় দলত স্থান অৰ্জন কৰিছে। মংগোলিয়াত ২৮ মাৰ্চৰ পৰা ১১ এপ্ৰিললৈকে চলিবলগীয়া প্ৰতিযোগিতাখনৰ বাবে ভাৰতৰ ২০জনীয়া পুৰুষ-মহিলা দলটো শনিবাৰে ঘোষণা কৰা হয়। প্ৰতিযোগিতাখনত ভাৰতীয় দলটোক নেতৃত্ব দিব অলিম্পিকত পদক জয়ী অসম কন্যা লাভলীনা বৰগোহাঁই আৰু দুবাৰকৈ ( তিনিপৃষ্ঠাত চাওক)

# শ্ৰীলংকাক পৰাস্ত কৰিও বিশ্বকাপৰ পৰা বাহিৰ পাকিস্তান



ৰঙিলী বাৰ্ত্তাসেৱা- চলিত টি-২০ বিশ্বকাপৰ শনিবাৰে অনুষ্ঠিত ছুপাৰ এইটৰ গুৰুত্বপূৰ্ণ মেচখনত পাকিস্তানে শ্ৰীলংকাক ৫ ৰানত পৰাস্ত কৰে যদিও ছেমিফাইনেলত প্ৰৱেশৰ পৰা বঞ্চিত হয়। পাকিস্তানক ছেমিফাইনেলত প্ৰৱেশ কৰাৰ বাবে শ্ৰীলংকাক অতি কমেও ৬৪ ৰানত পৰাস্ত কৰাটো প্ৰয়োজন আছিল যদিও সেয়া সম্ভৱ নহ'ল। ফলত পাকিস্তানে ছুপাৰ এইটৰ পৰা বিদায় লোৱাৰ বিপৰীতে নিউজিলেণ্ডে ছেমিফাইনেলত স্থান সুৰক্ষিত কৰে। ছুপাৰ এইটত পাকিস্তান আৰু নিউজিলেণ্ডে ৩ পইন্টকৈ লাভ কৰে যদিও ৰান ৰেটৰ ভিত্তিত নিউজিলেণ্ডে ছেমিত প্ৰবেশ কৰে। শনিবাৰে অনুষ্ঠিত মেচখনত পাকিস্তানে জয়ৰ বাবে বান্ধি দিয়া ২১৩ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্ত্বেও অধিনায়ক ( তিনিপৃষ্ঠাত চাওক)

# ৮ মাৰ্চৰ পৰা কুমাৰ

শনিবাৰে কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ আৰু কামৰূপ (মেট্ৰ') জিলাৰ আয়ুক্ত স্বপ্নীল পালে যৌথভাৱে 'কুমাৰ ভাস্কৰ বৰ্মা সেতু' পৰিদৰ্শন কৰাৰ পাছত এই কথা ঘোষণা কৰে। তেওঁলোকে কয় যে ৮ মাৰ্চৰ পৰা যান-বাহন চলাচল কৰিব পাৰিব যদিও কেৱল দুচকীয়া আৰু চাৰিচকীয়া লঘু যান-বাহনহে চলাচল কৰিব দিয়া হ'ব, ব্যৱসায়িক যান-বাহন বাছ, ট্ৰাক জাতীয় গুৰু যান-বাহনৰ চলাচল সদ্যহতে বন্ধ থাকিব। দলং আৰু ৰাস্তাৰ সকলো দিশ ভালদৰে পৰ্যবেক্ষণ কৰি পৰ্যায়ক্ৰমে গুৰু যান-বাহনৰ চলাচল মুকলি কৰি দিয়া হ'ব বুলি জিলা উপায়ুক্ত দুগৰাকীয়ে জানিবলৈ দিয়ে।

# অম্বিকাপুৰত ষষ্ঠ অসম আৰক্ষীৰ কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয় উদ্বোধন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- তিনিচুকীয়া জিলাৰ অম্বিকাপুৰত ষষ্ঠ অসম আৰক্ষী কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয় উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । এই উপলক্ষে আয়োজিত অনুষ্ঠানৰ পৰাই তেওঁ আভাসীয়ভাবে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে আভাসীয়ভাবে ১০.৩৭ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা চপাখোৱাত অৱস্থিত শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন আৰু ৫১.২০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা হাস্পতাল চাৰিআলি-টুপাছিড়া ঘাট সংযোগী এখন আৰ চি চি দলং উদ্বোধন কৰে। তেওঁ লগতে কাকপথাৰত ২৫.৪৯ কোটিৰো অধিক টকা ব্যয়েৰে বহুমুখী ইনড'ৰ ষ্টেডিয়াম কমপ্লেক্স নিৰ্মাণ, চপাখোৱাত ১০.৮৯ কোটিৰো অধিক টকা ব্যয়েৰে বীৰ লাচিত ষ্টেডিয়াম কমপ্লেক্সৰ উন্নয়ন, ভূপেন হাজৰিকা সেতুৰ সমীপত ৮.০৪ কোটি টকা ব্যয়েৰে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি আৰু উদ্যান নিৰ্মাণ, তিনিচুকীয়াৰ ডাঙৰীত থকা খ্ৰীং খ্ৰীং বাইথ' মন্দিৰৰ ২৫.২১ কোটিৰো অধিক টকাৰে আন্তঃগাঁথনি উন্নয়ন, ১.৮৯ কোটি টকা ব্যয়েৰে সীমান্ত টেঙাপানী এলেকাত বৈদ্যুতিকৰণৰ বাবে ১১ কে ভি পাৰাৰ লাইন স্থাপন, ইছলামপুৰত ঢলা-শদিয়া দলং সংযোগী পথৰ শেষ অংশৰ পৰা অসম-অৰুণাচল প্ৰদেশ সীমান্ত চকীলৈ পথচোৰা ৫০.৪৩ কোটি টকা ব্যয়েৰে উন্নীতকৰণ আৰু অসম মালা ৩.০ৰ অধীনত ৩৩.৭৪ কোটি টকা ব্যয়েৰে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাকপথাৰৰ পৰা বৰালী গাঁও হৈ ১১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডাঙৰীলৈ পথটোৰ উন্নীতকৰণৰ শিলান্যাস কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০২১ চনত চৰকাৰ গঠনৰ পিছত ৰাজ্যত ৫টা নতুন কমাণ্ডো বাহিনী গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সেই সময়লৈ ৰাজ্যত কেৱল এটা কমাণ্ডো বাহিনী আছিল। দেশৰ নিৰাপত্তা, অসমৰ সুৰক্ষাৰ প্ৰতি থকা বিভিন্ন ভাবুকি আৰু সীমান্ত অঞ্চলত অৱস্থিতিৰ দৃষ্টিৰে হাইলাকান্দিৰ ডামচেৰা, কাৰ্বি আংলঙৰ দলদলি, শিৱসাগৰৰ গেলেকী, বিশ্বনাথৰ

(দহ পৃষ্ঠাত চাওক)

# জুবিন গাৰ্গলৈ ফিল্ম ফেয়াৰ আছামিজৰ জীৱনজোৰা সাধনা বঁটা



ৰঙিলী বাৰ্ত্তাসেৱা-অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ ফিল্মফেয়াৰ বঁটা। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জীৱনজোৰা অৱদানক সুঁৱৰি মৰণোত্তৰভাৱে Filmfare Awards Assamese 2026(ফিল্ম ফেয়াৰ এৱাৰ্ডছ আছামিজ)ৰ জীৱনজোৰা সাধনা বঁটাসহ ৩টা শিতানত বঁটা আগবঢ়োৱা হৈছে। শুক্ৰবাৰে পুৱাৰ ভাগত প্ৰয়াত শিল্পীগৰাকীৰ কাহিলিপাৰাৰ বাসভৱনত উপস্থিত হৈ ফিল্ম ফেয়াৰৰ এডিটৰ-ইন-চীফ জিতেশ পিল্লায়ে শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গ আৰু পিতৃ কপিল ঠাকুৰৰ হাতত অৰ্পণ কৰিলে জীৱনজোৰা সাধনা বঁটা, 'আগলি অনুভৱে' শীৰ্ষক গীতটোৰ বাবে শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী বঁটা আৰু 'ৰৈ ৰৈ বিনালে' শীৰ্ষক ছবিখনৰ বাবে বিশেষ সন্মান। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত জীৱন ৰাম মুংগী দেৱী গোৱেংকা ৰাজহুৱা দাতব্য ন্যাসৰ সৈতে ফিল্ম ফেয়াৰে এই তিনিওটা সন্মান শিল্পীগৰাকীক মৰণোত্তৰভাৱে প্ৰদান কৰে। বঁটাকেইটা গ্ৰহণ কৰি শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গে আৱেগিকভাৱেই কয় যে শিল্পী এগৰাকীক যিমানখিনি মৰম সন্মান দিব লাগে সেইখিনি দিয়াৰ বাবে আমি কৃতজ্ঞ । যদি জুবিন গাৰ্গে নিজে সন্মানখিনি গ্ৰহণ কৰিব পাৰিলেহেঁতেন তেন্তে আমাৰ বাবে অধিক সুখৰ কথা হ'লহেঁতেন। তেওঁ য'তেই আছে তাৰ পৰাই এই সন্মান গ্ৰহণ কৰিব। তেওঁ সৃষ্টিৰাজিৰ মাজেৰেই প্ৰজন্মৰ পৰা প্ৰজন্মলৈ অমৰ হৈ থাকক সেয়াই আমি কামনা কৰোঁ। মন কৰিবলগীয়া যে আজি নিশা ফিল্ম ফেয়াৰ এৱাৰ্ডছ আছামিজ শীৰ্ষক অনুষ্ঠানটো অনুষ্ঠিত হ'ব। ২০২৪ আৰু ২০২৫ বৰ্ষত মুক্তিপ্ৰাপ্ত ছবিসমূহৰ আধাৰত বাছনিপ্ৰাপ্ত শ্ৰেষ্ঠ অভিনেতা-অভিনেত্ৰী, চিত্ৰ নিৰ্মাতা, কলা- কুশলীক এই বঁটা প্ৰদান কৰা হ'ব।

# জুবিন হত্যাৰ গোচৰ ফাষ্টট্ৰেক আদালত গঠনৰ সিদ্ধান্তক আদৰণি গৰিমাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ গোচৰৰ বাবে ফাষ্টট্ৰেক আদালত গঠন সন্দৰ্ভত গুৱাহাটী উচ্চন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অনুৰোধ জনোৱাৰ বাবে লোৱা সিদ্ধান্তক আদৰণি জনাইছে শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গে কয় যে গোটেই শুনানিটো ক্ষিপ্ৰতাৰে হোৱাটো বিচাৰিছিলোঁ। জুবিনৰ গোচৰটোৰ শুনানি যাতে প্ৰতিদিনে হয়, তেনে এখন বিশেষ আদালত গঠন চৰকাৰে কৰাটো বিচাৰিছিলোঁ। অকল আমাৰ পৰিয়ালেই নহয়, জুবিন গাৰ্গৰ অনুৰাগীসকলেও সেয়া বিচাৰিছিল। চৰকাৰে আমাৰ অনুৰোধক সন্মান জনাই বিশেষ আদালত গঠন কৰাৰ সিদ্ধান্ত সন্দৰ্ভত ঘোষণা কৰিছে। আমি বিচাৰোঁ, কথাবোৰ আদালতত সঠিকভাৱে উপস্থাপন হওক। জুবিন গাৰ্গৰ সৈতে কি হৈছিল সেই সকলোবোৰ কথা আমি

(দহ পৃষ্ঠাত চাওক)

# শিল্পী-সাহিত্যিকসকলে আমাৰ

নিজস্ব চিন্তন মননৰ জৰিয়তে নিজৰ সৃষ্টিক বিশ্ব সভালৈ লৈ যায় বুলি উল্লেখ কৰে। নিজৰ ভাষণত মন্ত্ৰী বড়াই এখন সুস্থ সমাজ গঠনত শিল্পী-সাহিত্যিকসকলৰ ভূমিকাৰ বিষয়েও আলোকপাত কৰে। সভাত উপস্থিত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে মন্ত্ৰীগৰাকীয়ে আনন্দ চন্দ্ৰ আগৰৱালাৰ 'মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ আমিও কৰিব পাৰোঁ জীৱন গঢ়িত।' পংক্তিটো গাই যিসকল মহান অসমীয়াৰ স্মৃতিত বঁটা প্ৰদান কৰা হৈছে আৰু বঁটাপ্ৰাপকসকলৰ বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰে। উল্লেখ্য যে এই অনুষ্ঠানত দুটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ লগতে আন পাঁচটা ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰা হয়। ২০২৫ বৰ্ষৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি প্ৰদান কৰা হয় সাহিত্যিক, শিক্ষাবিদ ড°অমলেন্দু চক্ৰৱতীক। আনহাতে পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ বঁটা প্ৰদান কৰা হয় বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ মনেশ্বৰ দেউৰীক। দুয়োগৰাকীকে সাংস্কৃতিক মন্ত্ৰী বিমল বড়াই একোখনকৈ মানপত্ৰ, শৰাই, গামোচা আৰু ক্ৰমে পাঁচ আৰু তিনি লাখকৈ টকাৰ চেক প্ৰদান কৰে। আনহাতে ৰাজ্যিক বঁটাৰ ভিতৰত ২০২৬ বৰ্ষৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সোঁৱৰণত শিল্পী বঁটা মৰণোত্তৰভাৱে প্ৰদান কৰা হয় অসমীয়া আধুনিক গীত আৰু চলচ্চিত্ৰৰ বিশিষ্ট কণ্ঠশিল্পী প্ৰয়াত সমৰ হাজৰিকা আৰু কামৰূপী লোক গীতৰ শিল্পী ধনদা পাঠকক। ২০২৫ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা আগবঢ়োৱা হয় নাট্যকাৰ কৰুণা ডেকাক। একেটা বৰ্ষৰে ড° ভবেন্দ্ৰনাথ শইকীয়া বঁটা আৰু বিজু ফুকন বঁটা প্ৰদান কৰা হয় ক্ৰমে চলচ্চিত্ৰ পৰিচালক অৰূপ মান্না আৰু সুবকাৰ তথা সংগীত পৰিচালক অৰুনী ৰঞ্জন পাঠকক। এই আটাইকেইগৰাকীকে একোখনকৈ শৰাই, গামোচা, মানপত্ৰ আৰু দুই লাখ টকাৰ চেক প্ৰদান কৰা হয়। এই অনুষ্ঠানতে ৮০ গৰাকী শিল্পীক নিয়মীয়া শিল্পী পেন্সন, ১৭২গৰাকীক বাৰ্ষিক শিল্পী সন্মান, পাঁচগৰাকী প্ৰয়াত শিল্পীৰ পৰিয়াললৈ এককালীন সাহায্য প্ৰদান কৰা হয়। এই বঁটা প্ৰদান অনুষ্ঠানত আদৰণী ভাষণ দিয়ে সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসে। অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উপ-সভাপতি প্ৰাঞ্জল শইকীয়ায়ো ভাষণ দিয়ে।

# এছিয়ান বক্সিং

বিশ্ব চেম্পিয়নৰ সন্মান অৰ্জন কৰা নিখট জাৰিনে। জানুৱাৰী মাহত অনুষ্ঠিত ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপৰ পিছত পাটিয়ালাত চলা এমাহজোৰা প্ৰশিক্ষণৰ অন্তত ২০জনীয়া ভাৰতীয় দলটো চূড়ান্ত কৰা হয়। এছিয়ান বক্সিং চেম্পিয়নশ্বিপত উন্নত প্ৰদৰ্শন দাঙি ধৰিব পাৰিলেই আগন্তুক কমনৱেলথ গেমছ আৰু এছিয়ান গেমছলৈ নিৰ্বাচন হ'ব। প্ৰতিযোগিতাখনত লাভলীনাই ৭৫ কেজি শাখাত আৰু অংকুশিতাহ ৬৫ কেজি শাখাত খেলিব।

# শ্ৰীলংকাক পৰাস্ত

ডাছুন ছানাকাৰ ৩১ টা বলত অপৰাজিত ৭৬, পৱন ৰত্নায়েকৰ ৫৮, কামিল মিছাৰাৰ ২৬ আৰু চৰিথ আছালাংকাৰ ২৫ ৰানৰ সহায়ত শ্ৰীলংকাই ৬ উইকেটত ২০৭ ৰান কৰে। পাকিস্তানৰ হৈ আব্ৰাৰ আহমেদে সৰ্বাধিক তিনিটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি অ'পেনাৰ ছাহিদজাদা ফাৰহানৰ ১০০ আৰু ফখৰ জামানৰ ৮৪ ৰানৰ সহায়ত পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২১২ ৰান কৰে। ফাৰহান আৰু জামানাৰ বাহিৰে বাকীসকল বেটাৰে দহকৰ ঘৰ স্পৰ্শ কৰাত ব্যৰ্থ হয়। পাকিস্তানে ১২ ৰানত অন্তিম ৬টা উইকেট হেৰুৱায়। শ্ৰীলংকাৰ হৈ দিলছান মদুছানাকাই সৰ্বাধিক তিনিটা উইকেট লয়।

# ফাষ্ট ট্ৰেক আদালতত চলিব জুবিন গাৰ্গৰ হত্যাৰ গোচৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ফাষ্ট ট্ৰেক আদালতত চলিব অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ হত্যাৰ গোচৰ । জুবিন গাৰ্গৰ হত্যাৰ গোচৰটোৰ বাবে ফাষ্ট ট্ৰেক নাইবা এক্সক্লুচিভ আদালত গঠনৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ ওচৰত অসম চৰকাৰে অনুৰোধ জনাব । ৰাজ্য চৰকাৰৰ কেবিনেটত এই সিদ্ধান্ত গ্ৰহণ কৰা হয় । বৃহস্পতিবাৰে কেবিনেট বৈঠকৰ পাছতে এই কথা সদৰী কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । উল্লেখ্য যে বৃহস্পতিবাৰে নিশামুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰৰ লোক সেৱা ভৱনত অনুষ্ঠিত হয় ৰাজ্য চৰকাৰৰ সাপ্তাহিক কেবিনেট বৈঠক। কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদমেল সম্বোধন কৰি কেবিনেটৰ সিদ্ধান্ত সমূহ সদৰী কৰে। সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কয়, জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ প্ৰতিদিনৰ শুনানিৰ বাবে এখন ফাষ্টট্ৰেক তথা বিশেষ আদালত গঠন কৰিবৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ক অনুৰোধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেট সিদ্ধান্ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অৱগত কৰা



হ'ব। ইয়াৰ পৰৱৰ্তী কাৰ্যসূচী বা পৰৱৰ্তী ব্যৱস্থা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ (নপৃষ্ঠাত চাওক)

# শুৱালকুছি ক্ৰীড়া ক্ষেত্ৰ আৰু বংশৰত মিনি ষ্টেডিয়াম উদ্বোধন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে কামৰূপ জিলাৰ শুৱালকুছি ক্ৰীড়া ক্ষেত্ৰ আৰু বংশৰ মিনি ষ্টেডিয়াম ৰাইজৰ বাবে উৎসৰ্গা কৰে। শুৱালকুছিত প্ৰায় ৬৭.৫১ কোটি টকাৰ অনুমোদিত ব্যয়সাপেক্ষে নিৰ্মিত অত্যাধুনিক শুৱালকুছি ক্ৰীড়া ক্ষেত্ৰ উদ্বোধন কৰি অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীড° শৰ্মাই কয় যে আজিৰ পৰা ক্ৰীড়া জগতত শুৱালকুছিয়ে এটা নতুন অধ্যায়ৰ সূচনা কৰিলে। তেওঁ কয় যে এই ক্ৰীড়া ক্ষেত্ৰখনত ফিফাৰ মানৰ এখন আন্তঃৰাষ্ট্ৰীয় ফুটবল খেলপথাৰ, ৮ লেনযুক্ত আধুনিক এথলেটিক ট্ৰেক, ৬ হাজাৰ আসন ক্ষমতাৰ গেলাৰীসহ পেভিলিয়ন, ডিছকাছ থ্ৰ', হামাৰ থ্ৰ', জেভেলিন, শ্বট পুট, ষ্টিপলেছ, হাৰ্ডলিং, লং জাম্প, ট্ৰিপল জাম্প, প'ল ভল্ট আদি সকলো (নপৃষ্ঠাত চাওক)

# জনতা ভৱনৰ নতুন ব্লক 'বি' উদ্বোধন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দিছপুৰস্থিত জনতা ভৱনৰ নতুন ব্লক 'বি' উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে এই ব্লকটো ৫৬,৯৭৫ বৰ্গফুট এলেকাত ১০১.৪৫ কোটি টকাৰো অধিক প্ৰকল্প ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে। উক্ত জি প্লাছ ফাইভ আৰচিচি ভৱনটোৰ প্ৰতিটো মহলাতে দৃশ্য, শ্ৰাব্য সুবিধাসহ সভাকক্ষৰ ব্যৱস্থা ৰখা হৈছে। আধুনিক প্ৰযুক্তিৰে নিৰ্মিত এই ভৱনটোৱে ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাত নতুন মান স্থাপন কৰিব। মন্ত্ৰী আৰু উচ্চপদস্থ বিষয়াসকলৰ বাবে পৃথক কাৰ্যালয় কোঠাৰ ব্যৱস্থা ৰখাৰ লগতে ভৱনটোত কৰ্মচাৰীসকলৰ বাবে কৰ্প'ৰেট আৰ্হিৰে সু-সজ্জিত কৰ্মক্ষেত্ৰ গঢ়ি তোলা হৈছে, যাতে কাৰ্য সম্পাদনত দক্ষতা অধিক বৃদ্ধি পায়। এই ভৱনটোত মুঠ ৮টা লিফটৰ (নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ত পশ্চিমীয়া হ'লক গিবন সংৰক্ষণ বিষয়ক সজাগতা সভা



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় চহৰৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান কানৈ বাণিজ্য মহাবিদ্যালয়ত "পশ্চিমীয়া হ'লক গিবন সংৰক্ষণ" বিষয়ক এখনি সজাগতা অনুষ্ঠান সফলতাৰে সম্পন্ন হয়। মহাবিদ্যালয়ৰ জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰেক্ষাগৃহত অনুষ্ঠিত ইক' ক্লাবৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিশ্চয়তা কোষৰ সহযোগত আয়োজন কৰা হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ফ্ৰান্সৰ প্ৰকৃতিবিদ হিউৰ' প্ৰগ্ৰেমৰ প্ৰতিষ্ঠাপক তথা কাৰ্য্যবাহী সঞ্চালক ফ্ল'ৰিয়ান মেগনে আৰু হিউৰ' প্ৰগ্ৰেমৰ শৈক্ষিক সমন্বয়ক সুমন গগৈ ভূঞা। ইক' ক্লাবৰ ন'ডাল বিষয়া বাণী কছাৰীয়ে আঁতধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেব গগৈয়ে বন্যপ্ৰাণী সংৰক্ষণৰ গুৰুত্ব সম্পৰ্কে ভাষণ প্ৰদান কৰে। সুমন গগৈ ভূঞাই হিউৰ' প্ৰগ্ৰেমৰ উদ্দেশ্য আৰু বিভিন্ন কাৰ্যসূচীৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। সমল ব্যক্তি ফ্ৰান্স প্ৰকৃতিবিদ ফ্ল'ৰিয়ান মেগনে পশ্চিমীয়া (নপৃষ্ঠাত চাওক)

# বেতকুছিত গুৱাহাটী পৌৰসেৱা ভৱন মুকলি মুখ্যমন্ত্ৰীৰ ড° শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বৃহস্পতিবাৰে কামৰূপ মহানগৰ জিলাৰ বেতকুছিত গুৱাহাটী পৌৰ সেৱা ভৱন উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । এই উপলক্ষে কামৰূপ মহানগৰ জিলাৰ বেতকুছিস্থিত গুৱাহাটী পৌৰ সেৱা ভৱনৰ প্ৰাংগণত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি (নপৃষ্ঠাত চাওক)

# বস্ত্ৰনগৰী শুৱালকুছিত নৱনিৰ্মিত ক্ৰীড়া ক্ষেত্ৰ শুভ উদ্বোধন



ৰঙিলী বাৰ্ত্তাসেৱা- এখন ঠাইৰ আন্তঃগাঁথনিৰ উন্নয়নে ঠাইখনক প্ৰগতিশীল কৰি তোলে। এই ক্ষেত্ৰত মানচেষ্টাৰ হিচাপে খ্যাত ঐতিহাসিক ঠাই বস্ত্ৰনগৰী শুৱালকুছি ব্যতিক্ৰম নহয়। মহামানৱ মহাত্মা গান্ধী, ড° এপি জে আব্দুল কালাম আদি কৰি গুণী জ্ঞানী ব্যক্তিসকলে শুৱালকুছি পদাৰ্পন কৰি (দহ পৃষ্ঠাত চাওক)

# মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ তিনিখনকৈ প্ৰাচীৰ পত্ৰিকা উন্মোচন




ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ চতুৰ্থ বাৰ্ষিক খেল সপ্তাহৰ বৃহস্পতি বাৰৰ বিশেষ দিনটোত বিশ্ববিদ্যালয়ত প্ৰথমবাৰলৈ বিভাগীয় ৰূপে তিনিখনকৈ প্ৰাচীৰ পত্ৰিকা উন্মোচন সম্পন্ন হয়। ক্ৰমে অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যায়ন' উন্মোচন কৰে মাজুলীৰ সাহিত্যৰ সভাপতি কমল দত্তই, পৰিৱেশ্য কলা বিভাগৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে অৱসৰী প্ৰধান শিক্ষয়িত্ৰী ৰেনুমালা দত্তই আৰু হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক অক্ষয় নাথে বুৰঞ্জী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'লোকায়ত' উন্মোচন কৰে। পত্ৰিকাসমূহ উন্মোচনৰ লগতে উন্মোচকসকলে বিচাৰকৰ ভূমিকাও পালন কৰে । পাপৰি চুতীয়াৰ সম্পাদিত অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা "প্ৰত্যায়ন" এ শ্ৰেষ্ঠ প্ৰত্ৰিকাৰ স্থান লাভ কৰাৰ বিপৰীতে (নপৃষ্ঠাত চাওক)

# ৰঙৰ উৎসৱ দৌল



ৰঙ্গে ফাকু খেলে চৈতন্য বনমালী
দুহাত ফাম্বুল- গুণ্ডা সিঞ্চন্ত
মুৰাৰী।।

ভগৱান শ্ৰীকৃষ্ণক কেন্দ্ৰ কৰিয়ে সমগ্ৰ ভাৰততে ৰঙৰ উৎসৱ দৌল উৎযাপন কৰা হয় । হোলী বা দৌল ভাৰতত পবিত্ৰ উৎসৱ হিচাবে পৰিগনিত হৈছে। এই উৎসৱ কেতিয়াৰ পৰা আৰম্ভ হৈছিল সঠিককৈ ক'ব পৰা নাযায় যদিও উত্তৰ ভাৰতৰ মথুৰা, বৃন্দাবন আদিকে ধৰি ভাৰতৰ বিভিন্ন স্থানত দৌল উৎসৱ অতি উলহ-মালহ, আড়ম্বৰপূৰ্ণ ভাৱে উৎযাপন কৰা হয়।

**নমিতা দাস, শুৱালকুছি**

ৰঙৰ উৎসৱ হোলী বা দৌল ভাৰতবৰ্ষৰ হিন্দু সকলৰ পৰম্পৰাগত পবিত্ৰ উৎসৱ। এই উৎসৱ জাতি-উপজাতিৰ ওপৰিও শাক্ত, বৈষ্ণৱ, বৌদ্ধ, জৈন আদি সকলো ধৰ্মালম্বী লোকে একেলগে অংশ লৈ আনন্দ স্ফূৰ্ত্তি কৰে । মুঠতে এই উৎসৱ প্ৰতি গৰাকী লোকে পালন কৰে । ইছলাম বা খৃষ্টান ধৰ্মী লোক সকলেও এই উৎসৱ পালন কৰা দেখা যায়। এই উৎসৱ ভাৰতৰ এক সমন্বয়ৰ প্ৰতীক বুলি কব পৰা যায় ।

এই দৌল বা ফাকুৱা উৎসৱ বৃন্দাবনত ভগৱান শ্ৰীকৃষ্ণ আৰু গোপী সকলৰ মাজৰ পৰা আৰম্ভ হৈছিল শৰৎ কালৰ পূৰ্ণিমা ৰাতি যেতিয়া বৃন্দাবনত ভগৱান শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰে গোপী সকলক মুগ্ধ কৰিছিল তেতিয়া গোপী সকলে ঘৰৰ কাম -বন এৰি বৃন্দাবনলৈ ধাপলি মেলিছিল মধ্যৰাতি শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰে শ্ৰীকৃষ্ণৰ সান্নিধ্য লাভ কৰাৰ উদ্দেশ্যে বৃন্দাবনত ৰাসক্ৰীড়া কৰিছিল আৰু সেই ৰাসক্ৰীড়াতেই কৃষ্ণই গোপী সকলৰ গালে মুখে ৰং সানি ফাকুগুৰি চতিয়াই গোপীসকলক ৰঙেৰে ৰাঙলী কৰিছিল। গোপী সকলেও উভতাই শ্ৰীকৃষ্ণৰ গাত ফাকুগুৰি ঘহি দি ফাকুৱা খেল খেলিছিল। সেই সময়ত গোপী সকল আৰু কৃষ্ণৰ মাজত এক প্ৰেমৰ ৰস স্থাপন হৈছিল এই প্ৰেম আছিল আধ্যাত্মিক প্ৰেম তাত কোনো কলুষতা বা স্বাৰ্থ নাছিল আত্মাৰ লগত পৰমাত্মাৰ মিলন আছিল সেই প্ৰেমত। সেই তেতিয়াইৰ পৰাই ফাকু খেলৰ আৰম্ভনি বুলি দৌল উৎসৱৰ কিংবদন্তী উদাহৰণ পোৱা যায় ।

প্ৰাক্ শঙ্কৰী যুগত অসমত দৌল উৎসৱ পালন কৰা হৈছিল নে নাই সেই বিষয়ে সবিশেষ জনা নাযায় যদিও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে দৌল উৎসৱ পোন প্ৰথমে পালন কৰিছিল। ৰামচৰণ ঠাকুৰৰ মতে শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই একৈশ বছৰ বয়সত বৰদোৱাত পোন প্ৰথমবাৰৰ বাবে দৌল উৎসৱ পালন কৰিছিল বুলি উল্লেখ পোৱা যায়। অসমৰ সত্ৰ সমুহত কেতিয়াৰ পৰা দৌল উৎসৱ পালন কৰা হয় সেইটো ঠিৰাং কৈ কোৱা টান যদিও মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ *( ছয় পৃষ্ঠাত চাওক)*


# খেলো হোলী ৰঙতে ৰাঙলী হৈ



**যমুনা দুলু বৈশ্য, শুৱালকুছি**

ৰঙ বোৰ উৰিছে
পলাশৰ ডালে ডালে
এইয়া বসন্তৰ বেলা
স্নিগ্ধ জোনাক ৰাতি
বাউলী ৰাধাই বিচাৰি ফুৰে
কদমৰ তলে তলে কানাইক।
প্ৰাণৰ হোলী আহিছে
ৰঙতে ৰাঙলী হৈ
মনৰ কলীয়া ডাৱৰ বোৰ যাব গুচি
প্ৰেমৰ আবিৰ সানিব অঙ্গে অঙ্গে
পলাশ মদাৰ শিমলুৰ ৰঙে
ফাগুন ফাগুন বুলি
ৰঙেৰে উপচাই ৰং চটিয়াব।
ভৰা পূৰ্ণিমাৰ জোনাকৰ পোহৰত
আনন্দমনে গোপ-গোপীৰ সঙ্গে
ফল্গোৎসৱৰ ভক্তি ৰসত প্ৰীতিৰ
এনাজৰীৰে কৃপাময় কানাইৰ দৰ্শন পাব
ভকত বৈষ্ণৱৰ হৃদয়ে হৃদয়ে
হৰিনামৰ ধ্বনিত উজ্জলি উঠিব
শ্ৰী শ্ৰী কৃষ্ণৰ দৌল যাত্ৰা ।

# ধূলিয়ৰী ফাগুনৰ অভিমানী সুৰ



ফাগুন মানেই এক উদাসীনতা, এক বিৰহ আৰু এক ৰঙীন অপেক্ষা। ঋতুৰাজ বসন্তৰ পদধ্বনি কঢ়িয়াই অনা এই মাহটো জনজীৱনৰ বাবে কেৱল এটা সময় নহয়, ই এক গভীৰ আৱেগিক অনুভৱ। শীতৰ জড়তা ভাঙি ফাগুন যেতিয়া ধূলিয়ৰী পচোৱা বতাহজাকৰ সৈতে আহে, তেতিয়া ধৰিত্ৰীৰ বুকুত এক আমূল পৰিৱৰ্তনৰ জোৱাৰ উঠে। গছৰ ডালৰ পৰা জৰাজীৰ্ণ পীত বৰণৰ পাতবোৰ সৰি পৰে আৰু উদং ডালবোৰে আকাশৰ ফালে হাত মেলি যেন কোনো এক অজান প্ৰাপ্তিৰ বাবে মৌন প্ৰাৰ্থনা কৰে। এই ৰিক্ততাই ফাগুনক এক বৈৰাগী ৰূপ প্ৰদান কৰে।

**কুঙ্খিল হাজৰিকা,যোৰহাট, টীয়ক**

ফাগুনৰ এই ধূসৰতাৰ মাজতেই লুকাই থাকে প্ৰেমৰ এক অবুজ শিহৰণ। ফাগুন মানেই যেন এক প্ৰেমিকাৰ অভিমানী চাৱনি য'ত বিৰহ আছে, অথচ মিলনৰ তীব্ৰ আকুলতাও আছে। পচোৱা বতাহজাকে যেতিয়া সোঁ-সোঁৱাই বৈ যায়, তেতিয়া সি যেন কোনোবা অজান দেশৰ প্ৰিয়জনৰ গোপন বাৰ্তাহে কঢ়িয়াই আনে। ফাগুনৰ ধূলিয়ৰী আকাশখন যেন এজনী বিৰহী প্ৰেমিকা, যিয়ে নিজৰ শূন্যতাৰ মাজতো কাৰোবাৰ বাবে বৈ থাকে। এই ঋতুতে মনৰ কোণত নতুনকৈ প্ৰেমৰ অংকুৰণ ঘটে কাৰণ ফাগুনৰ পৰাই আৰম্ভ হয় এক নতুন যাত্ৰাৰ।

উকা হৈ পৰা শিমলু আৰু মদাৰৰ ডালত যেতিয়া জুই জ্বলা দি ৰঙা ফুলবোৰ ফুলি উঠে, তেতিয়া ফাগুনৰ ধূসৰ কেনভাছখন হঠাতে প্ৰেমৰ ৰঙেৰে জীৱন্ত হৈ পৰে। পলাশৰ ৰঙা ৰঙে এই উদাসীনতাক এক মাদকতা প্ৰদান কৰে। লোক-সংস্কৃতি আৰু সাহিত্যত ফাগুনৰ স্থান চিৰন্তন। কাৰোবাৰ বাবে ফাগুন মানেই প্ৰেমৰ এক কাব্য, আৰু কাৰোবাৰ বাবে ই এক মিঠা বেদনাৰ সুৰ। ফাগুনৰ পূৰ্ণিমা তিথিত উদযাপিত হোৱা দৌল উৎসৱ বা ফাকুৱাই মানুহৰ মনবোৰক প্ৰেম আৰু আনন্দৰ মিলনভূমি কৰি তোলে। বিশেষকৈ বৰপেটাৰ দৌল মহোৎসৱৰ সেই ফাকুৰ গুড়ি আৰু পচোৱা বতাহৰ খেলখন এই মাহটোৰে এক অবিচ্ছেদ্য অংগ।

প্ৰকৃততে ফাগুন হ'ল ত্যাগ আৰু প্ৰেমৰ এক অপূৰ্ব সন্ধিক্ষণ। ই আমাক শিকায় যে নতুনক পাবলৈ হ'লে পুৰণিক ত্যাগ কৰিবই লাগিব। ফাগুন এক বিৰল অনুপ্ৰেৰণা য'ত বাহিৰৰ জগতখন উকা হ'লেও অন্তৰৰ জগতখন প্ৰেমৰ নানা অনুভৱেৰে পৰিপূৰ্ণ হৈ থাকে। ফাগুনৰ সেই সুবাসহীন ৰঙা ফুলবোৰেও যেন নীৰৱে কৈ যায় যে প্ৰেম কেৱল বাহ্যিক সুবাসত নাথাকে, ই এক অনন্য দৃষ্টিকোণ আৰু অন্তৰৰ গভীৰতাতহে বিৰাজ কৰে।

# সজাগ কলমৰ হুংকাৰ




**এহিয়া আহমেদ,বৰথল কছাৰীগাঁও, মৰিগাঁও**

সাৰে আছে কবি, সজাগ কবিৰ কলম
শব্দবোৰে চাগে ক্ষন্তেক জিৰণি লৈছিল,
অথবা স্তব্ধ হৈছিল বিভীষিকাৰ কৰাল গ্ৰাসত!
কিন্তু আৰু নহয়;
এয়া মৌনতাৰ বেহু ফালি গৰজি উঠাৰ ক্ষণ।
যিদিনা মানৱতাৰ তপ্ত তেজেৰে ফাকু খেলে দানৱে,
যিদিনা 'হিটলাৰী' দম্ভই গছকি যায় আৰ্তজনৰ বুকু;
সিদিনাই জন্ম হয় একোটা বিদ্ৰোহী কবিতাৰ।
আত্যাচাৰীৰ সেই কদৰ্য হাতবোৰক কলমে ক'ব খোজে:
"তোমালোকৰ অট্টহাস্যতকৈ
আমাৰ সত্যৰ হুংকাৰ বহু বেছি তীব্ৰ।"

অৱলোকন

# দূৰদৰ্শিতা (Farsightedness)



অসম সাহিত্য সভাৰ দ্বিতীয় অধিৱেশনখন অনুষ্ঠিত হৈছিল গোৱালপাৰাত ১৯১৮ চনৰ ২৭ ডিচেম্বৰত। অধিৱেশনত সভাপতিত্ব কৰিছিল মাননীয় চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াই। তেখেতে সভাপতিৰ অভিভাষণত কৈছিল, --

" যি শিক্ষাই স্বভাৱটো ঘঁহি-পিহি নিমজ কৰি দিয়ে, মানুহৰ চকু গজাই দিয়ে, মনক উদাৰ আৰু বুদ্ধিক প্ৰসাৰ কৰি দিয়ে আৰু কাৰ্য্য ক্ষমতা আৰু যোগ্যতা বৃদ্ধি কৰি মানুহক সমাজৰ নিমিত্তে লাগতিয়াল কৰি তোলে, মই তাকেহে শিক্ষা বুলিছোঁ। কিন্তু যি শিক্ষাৰ পৰা কেৱল গোটাদিয়েক 'ক ক ম ম' আওৰাই লৈ মানুহ অহঙ্কাৰেৰে পৰিপূৰ্ণ আৰু সকলো লাগতিয়াল কাৰ্য্যৰ নিমিত্তে অনুপযুক্ত কিবা এটা অদ্ভুত প্ৰাণী হৈ পৰে, সি শিক্ষা নহয়েই বৰং অশিক্ষাতকৈও সহস্ৰ গুণে অধম আৰু ভয়ংকৰ।"

**কনক শৰ্মা,দমদমা-হাজো**

যি জাতি শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক ভাবে চহকী সেই জাতিহে বৰ্তমানৰ প্ৰতিযোগিতামূলক বিশ্বত তিষ্ঠি থাকিব। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াইও এনে এক অভিমতকে প্ৰকাশ কৰি গৈছে। গোৱালপাৰা অধিৱেশনত মাননীয় সভাপতিজনাইও অসমীয়া জাতিৰ সৰ্বাঙ্গীন বিকাশ আৰু সমৃদ্ধিৰ দিশৰ কথা চিন্তা কৰিয়েই উপৰ্য্যুক্ত অভিমতটো ডাঙি ধৰিছে।

ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসমৰ শাসনভাৱ বৃটিছৰ হাতলৈ যোৱাৰ লগে লগে অসমৰ প্ৰাচুৰ্য্যপূৰ্ণ ভাষা, সাহিত্য, শিক্ষা, সংস্কৃতি সৰ্বত্ৰতে এক যতি বিৰাম আহি পৰিল। এক বিজাতৰীয়া সংস্কৃতিয়ে অসমীয়া জাতিসত্তাৰ কাঠামোত আঘাত হানিলে।

জাতীয় জীৱনৰ যুগন্ধৰ মহান কাণ্ডাৰী, চিন্তা নায়ক সকলৰ অহোপুৰুষাৰ্থত অসমীয়া জাতিয়ে কিছুপৰিমাণে ঐতিহ্য ৰক্ষাৰ সংগ্ৰামত কৃতকাৰ্য্যতা লভিলেও পাৰিপাৰ্শ্বিক বিষক্ৰিয়াৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হ'ব পৰা নাই - আজিও।

কোনোবাখিনিত যেন আমাৰ মন-মগজুত এক কৰ্মবিমুখিতা চিন্তা-চেতনাই ক্ৰীড়া কৰিবলৈ ল'লে। ৰাজনৈতিক নীতি আদৰ্শই এনে চিন্তা-চেতনাক অধিক উন্মুখ কৰি তুলিলে।

পৰিণতিত অসমীয়া সংস্কৃতিৰ বৰঘৰত বিজাতৰীয়া অপসংস্কৃতিয়ে বৰপীৰা পাৰিলে। কৃষি সংস্কৃতি চাহাবী সংস্কৃতিলৈ পৰ্য্যৱসিত হ'ল। শৈক্ষিক পৰিমণ্ডলৰ বাতাৱৰণে অসমীয়া ভাষা-সাহিত্যৰ ঐতিহ্যক নিশকতীয়া কৰিবলৈ ধৰিলে। অতি সাম্প্ৰতিক সময়ত ঐন্দ্ৰজালিক দিবাস্বপ্নই অসমৰ শৈক্ষিক পৰিমণ্ডলক যেনে ধৰণে বিধ্বস্ত কৰিবলৈ লৈছে সেয়া জাতিটোৰ বাবে যে এক অশনি সংকেত সেয়া অনস্বীকাৰ্য।

আমি আমাৰ প্ৰজন্মক জাতীয় জীৱনৰ গৌৰৱগাথাৰে উদ্বুদ্ধ কৰাব লাগিব। প্ৰকৃত শিক্ষাইহে যে চিন্তা শক্তিক উৰ্বৰ কৰে সেই কথাও শিকাব লাগিব। আমাৰ অন্তৰ্নিহিত সৃজনীমূলক প্ৰতিভাৰ উন্মেষ মাত্ৰ শিক্ষা আহৰণৰ জৰিয়তেহে যে সম্ভৱ সেই কথাবোৰো আমি আমাৰ প্ৰজন্মক শিকাব লাগিব।


অসম সাহিত্য সভাৰ গোৱালপাৰা অধিৱেশনৰ অভিভাষণত উল্লেখ থকা মাননীয় সভাপতিজনাৰ শিক্ষা সম্পৰ্কীয় উপৰ্য্যুক্ত অভিমতৰ এশ দুবছৰ পিছত ২০২০ চনত গ্ৰহণ *(বাৰপৃষ্ঠাত চাওক)*

# ৰঙৰ উৎসৱ দৌল

গুৰুজনাৰ প্ৰিয় শিষ্য মাধৱ দেৱে প্ৰতিষ্ঠা কৰা বৰপেটা সত্ৰৰ প্ৰথমজনা সত্ৰাধিকাৰ শ্ৰী শ্ৰী মথুৰা দাস বুঢ়া আতাই বৰপেটা সত্ৰত দৌল উৎসৱৰ পাতনী মেলে। সময় অতিবাহিত হোৱাৰ লগে লগে আন সত্ৰ সমূহতো দৌল উৎসৱ উৎযাপন কৰা হয় । ফাগুন মাহত হোৱা দেউলক "ডেকা দেউল" বুলি কোৱা হয়। ডেকা দেউল তিনিৰ পৰা পাছ দিন ধৰি অনুষ্ঠিত কৰা হয় । চ'ত মাহৰ হোৱা দেউলক "বুঢ়া -দেউল" বুলি কোৱা হয়। বুঢ়া- দেউল দুই দিনৰ পৰা তিনি দিন ধৰি পালন কৰা হয়। দেউলৰ প্ৰথম দিনাই অৰ্থাৎ পূৰ্ণিমাৰ আগৰ দিনা গন্ধ পিছৰ দুদিন "বৰ দেউল" আৰু শেষৰ দিনা ফাকুৱা বা ফাল্গুউৎসৱ বা "সুৱৰি বা সৰি"। গন্ধৰ দিনা গধূলী ভগৱান বা গোবিন্দ প্ৰভুক নতুৱা কীৰ্ত্তনঘৰৰ ভিতৰত থকা সিংহাসনৰ কাষত স্থাপিত গুৰু আসন খন ধৰ্মিয় ৰীতি-নীতিৰে নাম প্ৰসঙ্গ কৰি কীৰ্ত্তন ঘৰৰ চোতাললৈ উলিয়াই আনি মেজিৰ জুইৰ চাৰিওফালে সাত পাক ঘূৰাই নাম- প্ৰসঙ্গৰে দৌলত স্থাপন কৰা হয়। এই দৌল মণ্ডপৰ চাৰিখন দুৱাৰ চাৰি যুগৰ আৰু সাতটা খলপ সপ্ত বৈকুণ্ঠৰ প্ৰতিক ৰূপে ধৰা হয় ।

এই উৎসৱক বিভিন্ন নামেৰে জনা যায়, ফাকুৱা, হোলী, দৌল উৎসৱ, ফাল্গু উৎসৱ, ফাগুৱা, মদনোৎসৱ, ফাকু, আদি বিভিন্ন নামেৰে জনা যায়। হোলী উৎসৱ বা ফাকুৱা উৎসৱ হৈছে ৰঙৰ উৎসৱ। ফাগুনৰ গছবনে বসন্তক আদৰাৰ সময় গছৰ পুৰঠ পকা পাত বোৰে বিদায় মাগি গছ-বিৰিখ লঠঙা হ'বলৈ ধৰে চাৰিও ফালৰ আকাশ বতাহ শুকান হৈ পছোৱা বতাহ জাকে ধূলিয়ৰীত শুকান পাতৰ নাচোনত ককাল ভাগে। ধূলিৰ ধূষৰিত বায়ু-পানী বতাহে পলাশ, শিমলু, মদাৰেৰে ৰঞ্জিত কৰি আকাশে বতাহে প্ৰেমৰ জোৱাৰ আনে কুলি-কেতেকীৰ হিয়া ভঙা বিননী, চিনা অচিনা চৰাই জাকৰ কিৰিলিত প্ৰাণ চঞ্চলা হৈ উঠে প্ৰকৃতিয়েও এই ৰঙৰ উৎসৱ হোলী বা দৌলৰ বতৰা দিয়ে। ভাৰতবৰ্ষৰ হিন্দু সকলৰ পৰম্পৰাগত পবিত্ৰ উৎসৱ। এই উৎসৱ জাতি- উপজাতিৰ ওপৰিও শাক্ত, বৈষ্ণৱ, বৌদ্ধ, জৈন আদি সকলো ধৰ্মালম্বী লোকে একেলগে অংশ লৈ আনন্দ স্ফূৰ্ত্তি কৰে। মুঠতে এই উৎসৱ ধৰ্মীয় ৰীতি নীতিৰে পালন কৰিলেও প্ৰতি গৰাকী লোকে ৰঙেৰে ৰাঙলী হৈ হোলীগীত গাই ভক্তি ৰসেৰে নিমজ্জিত হৈ ৰঙেৰে মতলীয়া হয় দেহ প্ৰাণ । জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে পালন কৰা এই উৎসৱক ভাৰতৰ এক সমন্বয়ৰ প্ৰতীক বুলি কব পৰা যায়।

# ফাগুন



**Jyotishna Borpuzari, Jhanji Jamuguri**

খিৰিকীৰ কাষেৰে বৈ আহিছে
ফাগুনৰ পছোৱা,
ৰঙা ৰঙা মদাৰ ফুলবোৰে
বাৰে বাৰে দি গৈছে
ফাগুনৰ বাতৰি।
ফাগুন মানেই নহয় মাথোঁ
গছৰ পাত সৰা,
ফাগুন মানেই সাহস গোটাই
শূন্য হাতে থিয় হোৱা।
সকলো হেৰুৱাইও থিয় দি আছে
গছবোৰ স্থিৰভাৱে;
সিহঁতে জানে- ত্যাগৰ পাছতহে
আহে বসন্তৰ নতুন থোপা।
ফাগুনৰ পছোৱাৰ ধূলিবোৰে
সকলোকে ঢাকিলেও,
ফাগুনে আমাক শিকাই
হেৰুৱাইও জীয়াই থকাৰ আশা।
ফাগুনৰ ৰং চাই
মেলি থৈছোঁ টেবুলত কিতাপ,
ভাঙি আছোঁ অংকৰ
পাকলগা পাকবোৰ।
মোৰ কলমটোৱে যদিও
উত্তৰ লিখিছে, তথাপিও
মাজে মাজে উৰা মাৰিছে মনটো
ৰঙীন ফাগুনলৈ।
হ'ব দিয়া, এইবাৰ নহ'লেও হ'ব
ফাগুনৰ ধূলিত হেঁপাহৰ খেলা,
পৰীক্ষাৰ পাছত বসন্তই মাতিব-
তেতিয়াই হ'ব ফাগুন-চ'তৰ মেলা।

# জন্ম

**প্ৰভাত বণিয়া**



সূৰ্যটো নামি আহিল
নিৰ্জন ফুলনি শুৱাই ফুলিল
এপাহ সুগন্ধি ফুল তেজ ৰঙা
নভবাকৈ হঠাৎ লগ পালো তোমাক
জোনৰ দৰে তৰাৰ দৰে
পোহৰালা জীৱনৰ খলাবমা পথ
পুনঃ উজ্জীৱিত হলো মই
নৱ নৱ চেতনাৰে উদ্বুদ্ধ গাম জীৱন জীনাৰ গান
আজি মুকলি হ'ব আমাৰ প্ৰেমৰ
বাখৰুৱা ঘৰ।

JANASANYOG-4668/25/1-March-26



# কুমাৰ মাটিয়েই ইতিহাস গঢ়ে



যোৰাখণ্ডৰ পৰা... ধ্ৰুৱজ্যোতি, মাজুলী

এই খনন কাৰ্যটো অত্যন্ত বিপজ্জনক। গাঁতৰ ওপৰৰ মাটি খহি পৰাৰ আশংকা সদায় থাকে, যাৰ ফলত বহু সময়ত মানুহৰ জীৱন-মৃত্যুৰ প্ৰশ্ন জড়িত হৈ পৰে বা বহুতৰ মৃত্যুও হৈছে আৰু স্থায়ী পঙ্গুত্বৰ ঘটনাও সংঘটিত হৈছে। তথাপিও জীৱিকাৰ বিকল্প নথকাৰ বাবেই শালমৰাৰ কুমাৰসকলে এই বিপদসংকুল কাৰ্য কৰে।

খনিৰ পৰা মাটি উলিওৱাৰ পাছত মাটিখিনি ভালদৰে খচি পৰিষ্কাৰ কৰা হয় আৰু কলহ-টেকেলিৰ লগতে অন্যান্য মৃৎশিল্পৰ নিৰ্মাণৰ উপযোগী কৰি ঘূৰণীয়াকৈ লডা বনোৱা হয়। মাটিৰ অতিশয় ডাঠ আৰু আঠালেতীয়া গুণ হ্ৰাস কৰিবলৈ 'খোলনি' দিয়া হয়। তাৰ পাছত 'আফৰি' আৰু 'চোঁচনি' নামৰ সঁজুলিৰ সহায়ত মাটিখিনি সুসংগঠিত কৰা হয়। পাত্ৰটোৰ মুখ স্থানীয় ভাষাত 'গৰিব' গঢ়াৰ পাছত সিহঁতক ৰ'দত শুকাবলৈ দিয়া হয় আৰু পুনৰ 'শেলাই' বা লেপন খুৱাই গাঁথনি মজবুত কৰা হয়।

শেষ পৰ্যায়ত বিশেষ প্ৰক্ৰিয়াৰে 'পেঘালী'ত পোৰণৰ জৰিয়তে পাত্ৰসমূহ ব্যৱহাৰৰ উপযোগী কৰি তোলা হয়। এই পোৰণ প্ৰক্ৰিয়া সম্পন্ন নোহোৱালৈকে মাটিৰ পাত্ৰসমূহ পূৰ্ণাঙ্গ বুলি গণ্য কৰা নহয়। এইদৰে পৰম্পৰাগত কৌশল, স্থানীয় পৰিভাষা আৰু নিজস্ব সঁজুলিৰ ব্যৱহাৰেৰে মাজুলীৰ কুমাৰ সকলে কলহ-টেকেলি নিৰ্মাণ কৰে। ইয়াৰ পিছত তেওঁ লোকে খৰালি কালত ব্ৰহ্মপুত্ৰ নদীয়েদি নাৱেৰে সৈতে গৈ বিভিন্ন স্থানত এই মৃৎশিল্প সমূহ বিক্ৰী কৰে।

শালমৰাৰ কুমাৰ সমাজৰ এই মৃৎশিল্প কেৱল এটা জীৱিকা নহয়। ই তেওঁলোকৰ ইতিহাস, সাহস, সহিষ্ণুতা আৰু অস্তিত্ব ৰক্ষাৰ এক নিৰৱ কিন্তু শক্তিশালী দলিল। স্থানীয় লোক সকলৰ মতে, আজিৰ তাৰিখত প্ৰায় ৬০০ পৰিয়ালে এই শিল্পৰ ওপৰত নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ কৰিছে। পূৰ্ব পুৰুষে আৰম্ভ কৰা এই সমাজ খনৰ যাত্ৰা কঠোৰ পৰিশ্ৰম এতিয়াও অব্যাহত আছে যদিও চৰকাৰে কুমাৰ মাটি খনন বন্ধ কৰাৰ ফলত কেঁচামালৰ তীব্ৰ সংকট সৃষ্টি হৈছে। তাৰ সমান্তৰালকৈ বজাৰ ব্যৱস্থাৰ অভাৱ, নতুন প্ৰজন্মৰ অনাগ্ৰহ আৰু প্ৰশিক্ষণ-প্ৰযুক্তিগত সহায় নথকাৰ কাৰণে মাজুলীৰ ঐতিহ্যবাহী মৃৎশিল্প আজি প্ৰায় সংকটৰ মুখত। এই সংকট কেৱল জীৱিকাৰ নহয়, এক শতিকা পুৰণি লোকসংস্কৃতি হেৰুৱাৰ সতৰ্কবাণী। সেয়ে এই অমূল্য শিল্প ৰক্ষাৰ বাবে চৰকাৰে তৎকালীন আৰু দৃঢ় পদক্ষেপ লোৱাটো অত্যাৱশ্যক। চৰকাৰীভাৱে অন্ততঃ কুমাৰ সকলক কুমাৰ মাটিৰ ব্যৱস্থা, মৃৎশিল্প প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন, চৰকাৰী আচঁনিৰ যোগেদি নতুন প্ৰজন্মক অনুপ্ৰাণিত আৰু পৰ্যটনভিত্তিক বিপনী ব্যৱস্থা গঢ়ি তুলিলে এই শিল্প পুনৰুজ্জীৱিত হ'ব পাৰে। লগতে চৰকাৰে শালমৰা অঞ্চলত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰিব লাগে। কুমাৰসকলক বিশেষ স্বাস্থ্য বীমা আঁচনিৰ আওতালৈ আনিব লাগে বুলি তেওঁ লোকে দাবী জনাই আহিছে। বানপানীৰ সময়ত চলন্ত চিকিৎসা সেৱা যোগান এতিয়ালৈকে চৰকাৰে ধৰিব পৰা নাই, এই ক্ষেত্ৰত চৰকাৰে মনোনিৱেশ কৰিব লাগে।

সেয়ে এই ক্ষেত্ৰত শালমৰাবাসীয়ে চৰকাৰক স্বাভাৱিক ভাৱে প্ৰশ্ন কৰে-এনে এক বিপজ্জনক জীৱন -জীৱিকা কটোৱাৰ পাচতো, ন্যূনতম স্বাস্থ্য-সুৰক্ষা আৰু শিক্ষাৰ সুবিধা এতিয়াও নাই কিয়? উন্নয়ন যদি কেৱল চৰকাৰী ফাইল আৰু ভাষণৰ মাজতেই সীমাবদ্ধ থাকে, তেন্তে শালমৰাৰ দৰে অঞ্চলৰ বাসিন্দাৰ ভৱিষ্যৎ কিমান সুৰক্ষিত?

সেয়ে শালমৰাৰ মৃৎশিল্প ৰক্ষা মানে কেৱল অতীত সংৰক্ষণ নহয়- ই এক জীৱন্ত, সংস্কৃতি আৰু সুৰক্ষিত ভৱিষ্যৎ ৰক্ষাৰ দায়িত্ব। কাৰণ শালমৰাৰ মাটি কুমাৰৰ হাতত কেৱল পাত্ৰ নহয়, ইতিহাস গঢ়ে।

# আজিৰ পৰিৱেশত সন্তানৰ প্ৰতি মাতৃৰ দায়িত্ব আৰু কৰ্তব্য

যোৰাখণ্ডৰ পৰা...



নিবেদিতা হাজৰিকা, লখিমপুৰ

সন্তানক এই ধৰণৰ সামাজিক মাধ্যম বা ইণ্টাৰনেটৰ ব্যৱহাৰৰ পৰা আঁতৰাই ৰখাটো একেবাৰে সম্ভৱ নহয়। সেয়ে মাতৃ গৰাকীয়ে সচেতন ভাৱে এই মাধ্যম সমূহৰ প্ৰয়োগ, সুযোগ -সুবিধা সমূহ গ্ৰহণৰ ক্ষেত্ৰত সহায় কৰা উচিত, সকলো up to date জ্ঞানৰ লগত সন্তান আৰু মাতৃ উভয়ে পৰিচিত হৈ থাকিবলৈহে যত্ন কৰিব লাগে।

বিজ্ঞান -প্ৰযুক্তি বিদ্যাৰ আগ্ৰাসনে আগতকৈ বহু দিশত পৰিৱৰ্তন সাধন কৰিছে। ফলত সন্তান আৰু অভিভাৱকৰ ধ্যান-ধাৰণা সমূহৰ ক্ষেত্ৰতো পৰিৱৰ্তন, পাৰ্থক্য দেখিবলৈ পোৱা গৈছে। এই ক্ষেত্ৰত সমতা স্থাপন কৰিব নোৱাৰিলে পৰস্পৰৰ মাজত অসুবিধাই দেখা দিয়াটোৱে স্বাভাৱিক। সেয়ে উভয়ে উভয়ৰ ধ্যান-ধাৰণা সমূহৰ প্ৰতি সন্মান জনোৱা উচিত। সন্তান সকলৰ সুৰক্ষা, অনুশাসন আদিৰ দায়িত্ব মাতৃ গৰাকীৰ ওপৰতে স্বাভাৱিকতে বেছিকৈ পৰে। সেয়ে, বন্ধুত্ব সুলভ আচৰণেৰে তেওঁলোকৰ লগত কথা-বাৰ্তা পাতিবলৈ যত্ন কৰিব লাগে যাতে সন্তানে নিঃসংকোচে সকলো কথা ব্যক্ত কৰিবৰ সুবিধা লাভ কৰে। তেনে এক মুকলি পৰিৱেশত সন্তান বিপথে যোৱাৰ ভয় নাথাকে। সন্তানক বিপথে যোৱাৰ পৰা ৰক্ষা কৰিবলৈ হ'লে মাতৃগৰাকীৰ গঠনমূলক চিন্তা, উপদেশ, নিৰ্দেশনা আদিৰ বিশেষ প্ৰয়োজন। কিয়নো, এই সমূহ পদক্ষেপে সন্তানক আগুৱাই নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে। সমাজত দেখা দিয়া বিশৃংখলতা, দুৰ্নীতি, অশান্তি, অসূয়া আদিয়ে সামাজিক পৰিৱেশ বিনষ্ট কৰি তুলিছে, সামাজিক সুস্থতাৰ ক্ষেত্ৰত বিঘিনি ঘটাইছে। এই সকলো বোৰৰে মূল হৈছে মানৱীয় তথা সামাজিক মূল্যবোধৰ অভাৱ।সামাজিক সুস্থতাৰ বাবে সেয়ে মূল্যবোধৰ জাগ্ৰত কৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো বিশেষ প্ৰয়োজন। ইয়াৰ বাবে সন্তানক শিশু অৱস্থাৰ পৰাই সজ জ্ঞান লাভৰ পৰিৱেশ, সজ জ্ঞান প্ৰদানৰ পোষকতা কৰা উচিত, যাতে ইয়াৰ জৰিয়তে মূল্যবোধৰ বীজ ৰোপন হয় আৰু সমাজ তথা জীৱনৰ মাজত এক সুসম্পৰ্ক গঢ় লৈ উঠাৰ সুবিধা হয়।

আগলৈ...

# চাহ-শ্ৰমিকৰ দুৰ্দশা আৰু মুখ্যমন্ত্ৰীৰ 'এটি কলি, দুটি পাত' আঁচনি

যোৰাখণ্ডৰ পৰা... দ্বীপেন বৰুৱা



বৰ্ধিত মূল্যবৃদ্ধিৰ এই যুগত এই সামান্য মজুৰিৰে পৰিয়াল চলোৱা একপ্ৰকাৰ অসম্ভৱ হৈ পৰিছে। ইয়াৰ ফলস্বৰূপে অপুষ্টি, ঋণগ্ৰস্ততা আৰু দাৰিদ্ৰ্যই চাহ- শ্ৰমিক সমাজক চেপি ধৰিছে। বহু চাহ-বাগিছাৰ চিকিৎসালয়ত আজিও পৰ্যাপ্ত চিকিৎসক, ঔষধ আৰু আধুনিক চিকিৎসা সা-সঁজুলিৰ অভাৱ পৰিলক্ষিত হয়। ফলত মাতৃ-মৃত্যু, শিশুৰ মৃত্যু, এনিমিয়া আদি ৰোগসমূহ আজিও চাহ-শ্ৰমিক সমাজত এক গুৰুত্বপূৰ্ণ সামাজিক সমস্যাৰূপে বিদ্যমান। যদিও বাগিছাৰ স্থায়ী শ্ৰমিকসকলে কিছু পৰিমাণে ৰেচন আৰু আন সুবিধা লাভ কৰে, তথাপি অস্থায়ী শ্ৰমিকসকল এই সুবিধাসমূহৰ পৰা প্ৰায় বঞ্চিত হৈ আছে। তদুপৰি, চাহ-বাগিছা অঞ্চলসমূহত বিদ্যালয় থাকিলেও শিক্ষাৰ গুণগত মান অত্যন্ত নিম্ন হোৱা পৰিলক্ষিত হয়। উচ্চ শিক্ষালাভৰ সুযোগ সীমিত হোৱাৰ ফলত বাগিছা অঞ্চলত বাস কৰা নতুন প্ৰজন্মও দাৰিদ্ৰ্য আৰু বঞ্চনাৰ চক্ৰৰ পৰা ওলাই আহিব পৰা নাই। আনহাতে, ১৯৫১ চনৰ পৰা প্ৰণয়ন হোৱা বাগিছা শ্ৰমিক আইন (Plantation Labour Act) সম্পূৰ্ণৰূপে বলৱৎ নোহোৱাৰ ফলত চাহ-শ্ৰমিকসকলে আজিও নিজা ভূমিৰ পট্টা তথা বহু আইনগত অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। বাগিছা কৰ্তৃপক্ষৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীলতাই তেওঁলোকক সামাজিক আৰু অৰ্থনৈতিকভাৱে অধিক দুৰ্বল কৰি ৰাখিছে।

অসমৰ চাহ-শিল্প যিদৰে ৰাজ্যখনৰ এক গৌৰৱৰ প্ৰতীক, ঠিক তেনেদৰেই এই শিল্প গঢ়ি তোলা চাহ-শ্ৰমিকসকলৰ জীৱনো গৌৰৱ, মৰ্যাদা আৰু সুৰক্ষাৰ সৈতে জড়িত হোৱাটো বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ সামাজিক দাবী। এনে প্ৰেক্ষাপটত অসমৰ চাহ- শ্ৰমিক সমাজৰ দুৰ্দশাৰ কিছু পৰিৱৰ্তন আনিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে কেইটামান অতি দৰকাৰী তথা মৌলিক পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। এই পদক্ষেপসমূহৰ ভিতৰত অন্যতম হৈছে "এটি কলি দুটি পাত" আঁচনি। এই আঁচনিখন মূলতঃ চাহ-শ্ৰমিক পৰিয়ালৰ শিশু আৰু কিশোৰ-কিশোৰীৰ শিক্ষা আৰু পুষ্টিৰ উন্নয়নক লক্ষ্য কৰি প্ৰৱৰ্তন কৰা হৈছে। ইয়াৰ জৰিয়তে চাহ-শ্ৰমিক সমাজৰ সামগ্ৰিক জীৱনমান উন্নয়ন, সামাজিক প্ৰতিষ্ঠা বৃদ্ধি আৰু স্বাভিমান দৃঢ় হ'ব বুলি আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে এই আঁচনিখন ২০২৫ বৰ্ষৰ আগষ্ট মাহত ঘোষণা কৰা হৈছিল আৰু ২৫ জানুৱাৰী, ২০২৬ তাৰিখে মুখ্যমন্ত্ৰীয়ে তিনিচুকীয়া জিলাৰ ডুমডুমা সমষ্টিৰ পৰা আনুষ্ঠানিকভাৱে মুকলি কৰে। এই আঁচনিৰ অধীনত প্ৰতিজন যোগ্য চাহ-শ্ৰমিক আৰু চাহ-বাগিছাৰ কৰ্মচাৰীলৈ এককালীনভাৱে ৫, ০০০ টকাৰ আৰ্থিক সহায় প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। অসমৰ ২০০ বছৰীয়া চাহ-শিল্পলৈ চাহ-শ্ৰমিকসকলে আগবঢ়োৱা অনন্য অৱদানৰ স্বীকৃতিস্বৰূপে ৰূপায়ন কৰা এই আঁচনিৰ বাবে অসম চৰকাৰে প্ৰায় ৩৪২ কোটি টকা ব্যয়ৰ অনুমোদন জনাইছে। এই আঁচনিৰ জৰিয়তে প্ৰায় ৬, ০৩, ৯২৭ জন চাহ-শ্ৰমিক আৰু চাহ-বাগিছাৰ কৰ্মচাৰী উপকৃত হ'ব বুলি আশা কৰা হৈছে।

আগলৈ...

# জনতা ভৱনৰ নতুন

ব্যৱস্থা ৰখা হৈছে। ভৱনটোত লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাই পথ) বিভাগ, লোকনিৰ্মাণ (পথ) বিভাগ, লোকনিৰ্মাণ (স্বাস্থ্য আৰু শিক্ষা) বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, জলসিঞ্চন বিভাগ, জলসম্পদ বিভাগ আৰু জলসিঞ্চন সঞ্চালকালয় থাকিব। ইয়াৰ ফলত আন্তঃবিভাগীয় সমন্বয় অধিক শক্তিশালী হোৱাৰ লগতে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া অধিক দ্ৰুত, স্বচ্ছ আৰু ফলপ্ৰসূ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। উদ্বোধনী অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সমবায় আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, শ্ৰমিক কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ উপৰি মুখ্য সচিব ড° ৰৱি কোটা, লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ বিশেষ আয়ুক্ত সচিব ৰাজ চক্ৰৱৰ্তী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# বেতকুছিত গুৱাহাটী

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজিৰ পৰা গুৱাহাটী পৌৰ নিগমৰ কাম-কাজ নিয়ন্ত্ৰণ হ'ব বেতকুছিৰ পৌৰ সেৱা ভৱনৰ পৰা। উল্লেখ্য যে প্ৰায় ২৫ কোটি টকা ব্যয়সাপেক্ষে বেতকুছিৰ ৪ বিঘা ৩ কঠা ভূমিত গুৱাহাটী পৌৰ নিগমৰ জি প্লাছ ফাইভ মহলাৰ আধুনিক ভৱনটো নিৰ্মাণ কৰা হৈছে। ভৱনটোত মেয়ৰ, উপ-মেয়ৰ, বিষয়াৰ কাৰ্যালয়, সভাগৃহ, কেন্টিন, ছফ্‌ট্‌ৱেৰ ডেভল'পাৰ আৰু অতিথিসকলৰ বাবে সুবিধাসহ সকলো আধুনিক ব্যৱস্থা সংলগ্ন কৰা আছে। এই ভৱনটোৰ সমীপত এটা সংহত সঞ্চালকালয় ভৱন নিৰ্মাণৰ কামো অব্যাহত আছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে। এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি আৰু উচ্চপদস্থ বিষয়াবৰ্গ উপস্থিত থাকে।

# ডিব্ৰুগড় কানৈ বাণিজ্য

হ'লক গিবনৰ ক্ষেত্ৰত তেওঁৰ কুৰি বছৰীয়া ক্ষেত্ৰ অধ্যয়নৰ অভিজ্ঞতা বৰ্ণনা কৰি সংৰক্ষণ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানৰ কথাও উল্লেখ কৰে। তেওঁ উত্তৰ-পূৰ্বাঞ্চলত বিলুপ্তপ্ৰায় প্ৰজাতিটোৰ সংৰক্ষণৰ বাবে স্থানীয় সমাজৰ সহযোগিতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শিক্ষক-কৰ্মচাৰী আৰু বহু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানটোৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় আভ্যন্তৰীণ মান নিশ্চয়তা কোষৰ সমন্বয়ক ড° লুকু মৰাঙে। একে প্ৰেক্ষাগৃহতে "মুখ্যমন্ত্ৰী নিযুত বাবু আঁচনী ২০২৬"ৰ আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানৰ লাইভ ষ্ট্ৰীমিংৰ ব্যৱস্থা কৰা হয়। অনুষ্ঠানটোত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে আন বিশিষ্ট অতিথিসকলৰ ভাষণ পোনপটীয়াকৈ সম্প্ৰচাৰণ কৰা হয়। নিযুত বাবু আঁচনীৰ ন'ডাল বিষয়া ড° পল্লৱী কাশ্যপে জানিবলৈ দিয়ে যে মহাবিদ্যালয়ৰ মুঠ ১৬১ গৰাকী ছাত্ৰ এই আঁচনিৰ সুবিধা লাভ কৰিব। অধ্যক্ষ ড° জয়দেৱ গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক উক্ত আঁচনিৰ জৰিয়তে লাভ কৰিব পৰা বিভিন্ন সুবিধাসমূহৰ বিষয়ে অৱগত কৰে।

# মাজুলী সাংস্কৃতিক

মমী বৰুৱাৰ সম্পাদিত বুৰঞ্জী বিভাগৰ "লোকায়ত" এ দ্বিতীয় আৰু কস্তুৰী মহন্তৰ সম্পাদিত পৰিবেশ্য কলা বিভাগৰ "চিফুং" এ তৃতীয় স্থান লাভ কৰে। অনুষ্ঠানৰ প্ৰাৰম্ভতে এটি গছপুলি ৰোপন কৰে ৰেনুমালা দত্তই। মহাৰাষ্ট্ৰৰ এগৰাকী গৱেষক - এই অনুষ্ঠানত উপস্থিত আছিল । গছপুলি ৰোপনৰ পিছতেই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যে কৰি ৰোপক ৰেনুমালা দত্তই দু-আষাৰ বক্তব্যত কেতিয়া আৰু কেনেদৰে মাজুলীত এখন বিশ্ববিদ্যালয়ৰ প্ৰয়োজনতাৰ প্ৰথম ৰাজহুৱা প্ৰস্তাৱ গ্ৰহণ হৈছিল সেই কথা উল্লেখ কৰি, ইয়াৰ অন্তৰালত আউনীআটী উচ্চমাধ্যমিক বিদ্যালয়, সেই বিদ্যালয়ৰ প্ৰধান প্ৰশান্ত দোলাকাষৰীয়া, সেইসময়ৰ ই এ চি অনিল দাস আৰু কমল দত্তৰ ভূমিকাৰ বিষয়ে বক্তব্য প্ৰদান কৰে। ছাত্ৰ পৰিক্ৰমা বিষয়া ডক্টৰ ভাস্কৰজ্যোতি বৰুৱাই অতিথি সকলক আদৰণি জনাই দিয়া ভাষণত মাজুলীত সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ সপোন দেখা আৰু বাতৰি কাকতৰ যোগে জনমত গঠন কৰা কমল দত্তক বিশেষভাৱে কৃতজ্ঞতা জনায়। উন্মোচনী সভাত কেউগৰাকী সম্পাদিকাৰ লগতে ছাত্ৰ সংসদৰ সম্পাদক বিজিৎ গগৈয়ে উন্মোচক সকলক আদৰণি জনায়। বিশ্ববিদ্যালয় আভ্যন্তৰীণ মান নিৰূপন কোষৰ ডেপুটি ডাইৰেক্টৰ তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডক্টৰ উৎপল নাৰায়ণ গোস্বামী আৰু শিক্ষক-শিক্ষয়িত্ৰী আৰু বিষয়া-কৰ্মচাৰীসকল এই অনুষ্ঠানত উপস্থিত থাকে। বিশ্ববিদ্যালয়খনত আজি ভেশচন প্ৰতিযোগিতাকে আৰম্ভ কৰি আন কেইবাটাও প্ৰতিযোগিতা অনুষ্ঠিত হয় ।

# ফাষ্ট ট্ৰেক আদালতত চলিব

গৰাকীয়ে গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কয়- হত্যাৰ গোচৰত কোনোবা অভিযুক্ত হ'লেও আদালতত বিচাৰ চলি থাকিলে ৩-৪ মাহত অভিযুক্তক জামিন দিয়ে। কিন্তু জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ শুনানি চলি থকা বৰ্তমানৰ আদালতে এজনো অভিযুক্তক আজিলৈকে জামিন দিয়া নাই। সেয়েহে চৰকাৰৰ ধাৰণা আছিল- বৰ্তমানৰ ন্যায়াধীশগৰাকীৰ হাততে গোচৰটো থাকিলে ন্যায়ৰ প্ৰক্ৰিয়া নিশ্চিতভাৱে সুৰক্ষিত হ'লহেঁতেন। কিন্তু পূৰ্বে আমি এটা কথা ঘোষণা কৰি থৈছিলোঁ এই গোটেই ঘটনাৰ ক্ষেত্ৰত পৰিয়ালে যি বিচাৰে চৰকাৰে তাকেই কৰিব। যিহেতু জুবিন গাৰ্গৰ পৰিয়ালে ৰাজহুৱাভাৱে ফাষ্টট্ৰেক আদালতৰ কথা কৈছে সেইকাৰণে চৰকাৰৰ মতামতক দূৰত ৰাখি এই বিচাৰ প্ৰক্ৰিয়া ফাষ্টট্ৰেক আদালতত দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে গুৱাহাটী উচ্চন্যায়ালয়ে এজন ন্যায়াধীশ দিব, ন্যায়ালয়ে গাইডলাইন নিৰ্মাণ কৰিব আৰু ৰাজ্য চৰকাৰে আন্তঃগাঁথনিৰ ক্ষেত্ৰত সহযোগিতা কৰিব। ইফালে ৰাজ্যিক কেবিনেটে শিল্পী ৰাজীৱ শদিয়াৰ পত্নী উপাসনা বকলিয়াল গগৈক চৰকাৰী চাকৰিত নিযুক্তি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। তিনিচুকীয়া জিলাত তৃতীয় বৰ্গৰ এটা চৰকাৰী পদত নিযুক্তি দিয়াৰ বাবে কেবিনেটে আজি গ্ৰহণ কৰা এই সিদ্ধান্ত সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- ২০২৫ চনৰ ১৩ জানুৱাৰীত সংগীতানুষ্ঠান প্ৰদৰ্শন কৰি থাকোঁতে ৰাজীৱ শদিয়াৰ মৃত্যু হৈছিল। কেবিনেটে তেওঁৰ পত্নী উপাসনা বকলিয়াল গগৈক তিনিচুকীয়া জিলাত অসম চৰকাৰৰ তৃতীয় বৰ্গৰ চাকৰি এটা দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজীৱ শদিয়াৰ সংগীত জগতৰ প্ৰতি থকা অৱদানক স্বীকৃতি প্ৰদান কৰি ৰাজ্য চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পূৰ্বেই উপাসনা বকলিয়াল গগৈক নিযুক্তি প্ৰদান কৰা হ'ব। উল্লেখ্য যে ৰাজীৱ শদিয়াৰ মৃত্যুৰ পিছত আৰ্থিকভাৱে সমস্যাত পৰা পৰিয়ালটোক সকাহ দিয়াৰ বাবে তেওঁৰ পত্নীক চৰকাৰী চাকৰি দিয়াৰ এক দাবী উত্থাপন হৈছিল। তিনিচুকীয়া জিলাৰ লগতে উজনি অসমত যথেষ্ট জনপ্ৰিয় ৰাজীৱ শদিয়াৰ সংগীতত আছিল মাটিৰ গোন্ধ। ৰাজ্য চৰকাৰে শিল্পীগৰাকীৰ পৰিয়ালক সকাহ দিয়াৰ লক্ষ্যৰে তেওঁৰ পত্নীক চাকৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেটে লোকনিৰ্মাণৰ অধীনত ৫৭গৰাকী কনিষ্ঠ অভিযন্তাক পুনৰ নিযুক্তিত অনুমোদন জনায়। এপিএছচিৰ জৰিয়তে এই অভিযন্তাসকলে যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হোৱা নাছিল যদিও ২০১৯ চনৰ পৰা লোকনিৰ্মাণ বিভাগত সেৱা আগবঢ়াই অহাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ চাকৰি নিয়মীয়া কৰা হয়। আনহাতে কেবিনেটে আজি মিছন বসুন্ধৰাৰ অধীনত ৩২৬গৰাকী হিতাধিকাৰীক ভূমি আবণ্টনৰ সিদ্ধান্ত লয়। কেবিনেটে শ্ৰীভূমি জিলাৰ পাথাৰকান্দিৰ ১২২ কোটি টকা ব্যয়সাপেক্ষে কৃষি মহাবিদ্যালয় নিৰ্মাণৰ প্ৰশাসনিক অনুমোদন জনায়। আনহাতে কেবিনেটে গুৱাহাটীৰ ধাৰাপুৰত চিপয়াৰ্ড আৰু কন্টেইনাৰ জাহাজ স্থাপনৰ বাবে মেচাৰ্ছ ভাৰত এ টু জেড প্ৰাইভেট লিমিটেডক অসম ঔদ্যোগিক আৰু বিনিয়োগ নীতিৰ অধীনত ৪৭৫ কোটি টকা প্ৰদানৰ অনুমোদন জনায়। প্ৰকল্পটোৰে প্ৰায় ৯০০জন যুৱক-যুৱতীৰ নিয়োগ সৃষ্টি কৰিব।

# শুৱালকুছি ক্ৰীড়া ক্ষেত্ৰ আৰু বংশৰত

এথলেটিক ইভেন্টৰ বাবে আন্তঃৰাষ্ট্ৰীয় মানৰ সুবিধা সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি, ভলীবল আৰু বাস্কেট বল কৰ্ট, ৭২০খন আসন ক্ষমতাৰ ইনড'ৰ ষ্টেডিয়াম, ২খন বেডমিন্টন কৰ্ট, ৪খন টেবুল টেনিছ কৰ্ট, জিমনাছিয়াম, মাৰ্চিয়েল আৰ্টৰ সুবিধা, ড্ৰেছিং ৰুম, ডৰ্মিটৰী, বাহিৰৰ পৰা অহা ল'ৰা-ছোৱালীৰ সুবিধাৰ বাবে পৃথক ট্ৰেনজিট হোষ্টেল, হাই-মাষ্ট লাইট আৰু কেম্পাছ লাইট, প্ৰশাসনিক ভৱন, সু-সজ্জিত গেট, নিৰাপত্তাৰ ব্যৱস্থা আৰু চৌহদৰ দেৱালৰ সৈতে এই ক্ৰীড়া ক্ষেত্ৰখন অসমৰ উদীয়মান যুৱ শক্তিৰ সপোন পূৰণৰ এখন শক্তিশালী মঞ্চ হিচাপে পৰিগণিত হ'ব বুলি তেওঁ কয়। ইয়াৰ জৰিয়তে গ্ৰামাঞ্চলৰ প্ৰতিভাসমূহে আন্তঃৰাষ্ট্ৰীয় মানৰ সুবিধাৰ মাজেৰে নিজৰ দক্ষতা বিকাশৰ সুবৰ্ণ সুযোগ লাভ কৰিব বুলি তেওঁ মন্তব্য কৰে। শুৱালকুছি ক্ৰীড়া ক্ষেত্ৰৰ লগতে অভিযান্ত্ৰিক মহাবিদ্যালয়খনৰো নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অহা-যোৱা পথটো নিৰ্মাণ হৈ উঠিলে নিৰ্বাচনৰ পিছত অহা বছৰ ইয়াত নামভৰ্তিৰ ব্যৱস্থা কৰিব পৰা যাব। তেওঁ কয় যে বৰ্তমান স্বাস্থ্য, শিক্ষা, আন্তঃগাঁথনি আদি উন্নয়নৰ লগতে বিমানবন্দৰলৈ নিমিষতে যাব পৰাকৈ ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ আদিয়ে শুৱালকুছিক কেন্দ্ৰ কৰি এই অঞ্চলটোত বিকাশ আৰু উন্নয়নৰ নতুন দিগন্তৰ সূচনা কৰিছে। তেওঁ কয় যে ১৯৯৩-৯৪ত এই স্থানলৈ অহাৰ সময়ত এই স্থানত যে এখন অত্যাধুনিক ষ্টেডিয়াম নিৰ্মাণ হ'ব পাৰে সেই কথা তেওঁ সপোনতো ভবা নাছিল। কিন্তু ৰাইজৰ আশীৰ্বাদত আজি পৰিৱেশ সলনি হ'ল আৰু ৰাজ্যখন আগবাঢ়ি গৈ থাকিল বুলি তেওঁ কয়। অনাগত দিনতো বিকাশৰ এই যাত্ৰা অব্যাহত থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ষ্টেডিয়ামখনৰ আন্তঃগাঁথনিৰ লগতে খেলুৱৈসকলক উন্নত মানৰ প্ৰশিক্ষণ দিয়াৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰো ব্যৱস্থা কৰা হ'ব। এই অনুষ্ঠানত হাজো বিধানসভা সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ উপৰি কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ প্ৰমুখ্যে উচ্চপদস্থ বিষয়া আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ পিছত কামৰূপ জিলাৰ বংশৰত প্ৰায় ৰৰ কোটি ৯৭ লাখ টকাৰ অনুমোদিত ব্যয়েৰে নিৰ্মিত অত্যাধুনিক মিনি ষ্টেডিয়ামখন ৰাইজৰ বাবে উৎসৰ্গা কৰে। এই উপলক্ষে ষ্টেডিয়ামৰ প্ৰাংগণত আয়োজিত ৰাজহুৱা সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজি গন্ধমৌ তথা সমগ্ৰ বংশৰৰ লগতে ৰাজ্যবাসীৰ বাবে এটা অত্যন্ত আনন্দৰ দিন। তেওঁ কয় যে সদৌ বংশৰ ক্ৰীড়া সন্থাৰ খেলপথাৰখন আজি এখন পূৰ্ণাংগ ষ্টেডিয়ামলৈ ৰূপান্তৰিত হ'ল। এই ষ্টেডিয়ামখনত এখন আন্তঃৰাষ্ট্ৰীয় মানৰ ফুটবল খেলপথাৰ, দুখন ভলীবল কৰ্ট, ৫০০খন আসনবিশিষ্ট গেলাৰীসহ সু-সজ্জিত পেভিলিয়ন, হাই-মাষ্ট লাইট আৰু সমগ্ৰ চৌহদত কেম্পাছ লাইট, ২ মিটাৰ প্ৰস্থৰ খোজকঢ়া পথ, উন্নত পানী নিষ্কাশন ব্যৱস্থা, সু-সজ্জিত প্ৰৱেশ-প্ৰস্থান গেট আৰু নিৰাপত্তা কোঠা সন্নিৱিষ্ট কৰা হৈছে। তেওঁ কয় যে এই ষ্টেডিয়ামখন কেৱল ক্ৰীড়া আন্তঃগাঁথনিয়েই নহয়, যুৱ সমাজৰ স্বপ্ন, শক্তি আৰু সম্ভাৱনাৰ এখন নতুন মঞ্চ হিচাপে পৰিগণিত হ'ব। ষ্টেডিয়াম নিৰ্মাণ হ'লেও যদি খেলুৱৈ সৃষ্টি নহয়, তেতিয়া ষ্টেডিয়াম নিৰ্মাণৰ উদ্দেশ্য সম্পূৰ্ণ নহ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰে ষ্টেডিয়ামখনৰ সৈতে এটা প্ৰশিক্ষণ একাডেমী গঢ়ি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিব। এই মিনি ষ্টেডিয়ামখনৰ লগতে বেডমিন্টন আৰু টেবুল টেনিছ খেলৰ বাবে এখন ইনড'ৰ ষ্টেডিয়াম আৰু ক্ৰিকেট খেলৰ সুবিধা প্ৰদানৰ বাবেও চিন্তা-চৰ্চা কৰা হ'ব বুলি তেওঁ কয়। অনুষ্ঠানত হাজো বিধানসভা সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ উপৰি কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ প্ৰমুখ্যে উচ্চ পদস্থ বিষয়া আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# আমেৰিকা-ইজৰাইলৰ

কৰা এই ছোৱালীৰ বিদ্যালয়খন হৰমোজগান প্ৰদেশৰ মিনাৰত অৱস্থিত। এই মিনাৰতে আছে ইছলামিক ৰিভলিউচনাৰী গাৰ্ডৰ এটা ঘাটি। এই ঘাটিটোক উদ্দেশ্যি ইজৰাইল-আমেৰিকান বাহিনীয়ে ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল। কিন্তু লক্ষ্যভ্ৰষ্ট হৈ বিদ্যালয়খনত আঘাত হনাত যুদ্ধৰ বলি হ'বলগীয়া হ'ল ৫৩ কণমানি ছাত্ৰী। এই কৰুণ ঘটনাত আহত হৈছে আন ৬৪ শিক্ষাৰ্থী। ইফালে, মিত্ৰ বাহিনীৰ আক্ৰমণত ইৰানৰ প্ৰতিৰক্ষা মন্ত্ৰী আমীৰ নাছিৰজাদে আৰু ইছলামিক ৰিভলিউচনাৰী গাৰ্ডৰ শীৰ্ষ কমাণ্ডাৰ মহম্মদ পাকপৌৰৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লা আলী খামেনেইৰ ঘনিষ্ঠৰূপে পৰিচিত পাকপৌৰক বিগত বৰ্ষত মেজৰ জেনেৰেল পদত অধিষ্ঠিত কৰা হৈছিল। এইজন শীৰ্ষ কমাণ্ডাৰে ইজৰাইল-আমেৰিকাক মুকলিকৈ সকীয়াই দি কৈছিল যে আমাক ভাবুকি দি কোনো লাভ নাই।

# ইৰানৰ সৰ্বোচ্চ নেতা

আনুষ্ঠানিকভাৱে ইৰানৰ ছুপ্ৰিম লীডাৰ আয়াতুল্লাহ আলী খামেইনিৰ মৃত্যু নিশ্চিত কৰিছে। শনিবাৰে শেষ নিশা ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে খামেইনেইৰ মৃত্যুৰ কথা ঘোষণা কৰিছিল। তেওঁ কয় যে এই আক্ৰমণে ইৰাণীসকলক নিজৰ দেশক "উভতাই লোৱা"ৰ "সৰ্বাধিক সুযোগ" প্ৰদান কৰিছে যদিও ইয়াৰ ফলত ইছলামিক ৰিপাব্লিকৰ ভৱিষ্যতৰ ওপৰতো সন্দেহৰ সৃষ্টি হৈছে আৰু অঞ্চলটোত অস্থিৰতাৰ আশংকাও বৃদ্ধি পাইছে। ছ'চিয়েল মিডিয়াত ট্ৰাম্পে কয়, "ইতিহাসৰ অন্যতম দুষ্ট মানুহ খামেনেইৰ মৃত্যু হৈছে। তেওঁ দেশখনৰ পাৰমাণৱিক ক্ষমতা নিৰ্মূলৰ বাবে আমেৰিকাই প্ৰয়োজনীয় বুলি অভিহিত কৰা মাৰাত্মক আক্ৰমণৰ অংশ হিচাপে "গধুৰ আৰু নিখুঁত বোমা বিস্ফোৰণ"ৰ বিষয়ে সকীয়াই দিয়ে।" ট্ৰাম্প আৰু ইজৰাইলৰ এই দাবীৰ পিছত ইৰানৰ ৰাষ্ট্ৰীয় সংবাদ সংস্থাই আনুষ্ঠানিকভাৱে আয়াতুল্লাহ আলী খামেইনিৰ মৃত্যু নিশ্চিত কৰিছে। শনিবাৰে আক্ৰমণৰ সময়ত খামেইনি নিজৰ কাৰ্যালয়ত আছিল। ইছলামিক ৰিভল্যুচনেৰী গাৰ্ড কৰ্পছে এক বিবৃতিত খামেইনিৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সংগঠনটোৱে তেওঁৰ মৃত্যুক "সন্মানজনক শ্বহীদ" বুলি অভিহিত কৰি তেওঁৰ পথ অব্যাহত থাকিব বুলি কয়। উল্লেখ্য যে ৮৬ বছৰীয়া আয়াতুল্লাহ আলী খামেইনিৰ কাৰ্যকালতেই ইৰানে নিজৰ পাৰমাণৱিক কাৰ্যসূচী আগুৱাই লৈ গৈছিল আৰু আমেৰিকা আৰু ইজৰাইলৰ সৈতে সংঘাত বৃদ্ধি কৰিছিল। তেওঁ ৰিভল্যুচনেৰী গাৰ্ড আৰু আঞ্চলিক প্ৰক্সি নেটৱৰ্ক শক্তিশালী কৰিছিল যদিও অৰ্থনৈতিক সংকট আৰু দমনৰ ফলত দেশত বৃহৎ প্ৰতিবাদৰ সৃষ্টি হয়। ১৯৮৯ চনত আয়াতুল্লাহ ৰুহোল্লাহ খামেইনিৰ মৃত্যুৰ পিছত খামেইনিয়ে ক্ষমতা দখল কৰি ইছলামিক ৰিপাব্লিকক নতুন ৰূপ দিয়ে। খামেনেইৰ মৃত্যুৰ পিছত ইৰানে প্ৰতিশোধমূলক আক্ৰমণৰ সতৰ্ক কৰি দিছে। ইফালে সৰ্বোচ্চ নেতাগৰাকীৰ মৃত্যুত ইৰানত ৪০ দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে।

# জুবিন হত্যাৰ গোচৰ

সকলোৱে জানো। বিশেষ আদালতত কথাবোৰ ভালদৰে উপস্থাপন হৈ পানী নসৰকা প্ৰক্ৰিয়াৰে বিচাৰ হওক। দোষীয়ে কঠোৰৰ পৰা কঠোৰতম শাস্তি পাওক। আনহাতে জুবিন গাৰ্গ হত্যাকাণ্ডৰ গোচৰত অভিযুক্তসকলে কোনো কাৰণতে জামিন যাতে আদালতৰ পৰা নাপায়, এই সন্দৰ্ভতো শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গে কয় যে অভিযুক্তই জামিন পোৱাটো আমি একেবাৰে নিবিচাৰোঁ। আদালতেও বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি এই গোচৰটো বিশেষভাৱে চলাই নিব বুলি আমি আশাবাদী। জুবিন গাৰ্গৰ দৰে এটা সত্তাৰ লগত এনে হৈ যোৱাটো আমি কোনেও আজিলৈকে গ্ৰহণ কৰিব পৰা নাই, মানিব পৰা নাই। যদি জুবিন গাৰ্গে ন্যায় নাপায়, তেন্তে ন্যায় ব্যৱস্থাৰ ওপৰত আমাৰ বিশ্বাস ক'ত থাকিব? জুবিনক ন্যায় দিলেহে আমাৰ পৰিয়ালৰ লগতে সমগ্ৰ অসম সুস্থিৰ হ'ব।

# বস্ত্ৰনগৰী শুৱালকুছিত

ইয়াৰ ধৰ্ম আৰু কৰ্ম সংস্কৃতিৰ ভূয়সী প্ৰশংসা কৰি আহিছে। অসমৰ মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মা মহোদয়েও অনুভৱ কৰি ঠাইখনৰ কিছু আৰু নতুনত্ব আনিলে।২৬ ফেব্ৰুৱাৰী ২০২৬চনত শুৱালকুছিবাসীক বৃহত্তৰ ক্ৰীড়া ক্ষেত্ৰ শুভ উদ্বোধন কৰি এক বিৰল উপহাৰ আগবঢ়ালে। এনে এখন ষ্টেডিয়াম শুৱালকুছিত স্থাপন হ'ব বুলি শুৱালকুছিবাসীয়ে কেতিয়াও ভবা নাছিল, এয়া সম্ভৱ হ'ল একমাত্ৰ সক্ৰীয় মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ শুৱালকুছিৰ প্ৰতি থকা মৰমৰ কাৰণে। গতিকে এই ক্ৰীড়া ক্ষেত্ৰখনে শুৱালকুছিৰ লগতে দাঁতি কাষৰীয়া নৱপ্ৰজন্মৰ খেলুৱৈসকলক উৎসাহিত কৰিব।

# ইৰানত ভয়ংকৰ মিছাইল আক্ৰমণ

হাতত কোনো কাৰণতে পাৰমাণৱিক অস্ত্ৰ থাকিব নোৱাৰে। মধ্যপ্ৰাচ্যৰ দেশখনৰ সৰ্বসাধাৰণৰ প্ৰতি তেওঁৰ স্পষ্ট বাৰ্তা- আপোনালোকৰ স্বাধীনতাৰ সময় আহি গৈছে। লক্ষণীয়ভাৱে তেহৰানৰ যি স্থানত মিত্ৰ বাহিনীয়ে আক্ৰমণ চলাইছিল, তাৰ কিছু দূৰতেই অৱস্থিত ইৰানৰ সৰ্বোচ্চ নেতা খামেনেইৰ কাৰ্যালয়। ইয়াৰ পৰাই ইৰানৰ সৰ্বোচ্চ নেতাজনৰ লগতে ৰাষ্ট্ৰপতি পেজেস্কিয়ানক লক্ষ্য কৰি ইজৰাইল-আমেৰিকাই আক্ৰমণ চলোৱাটো স্পষ্ট হৈছে। ইফালে ইজৰাইল-আমেৰিকাৰ আক্ৰমণৰ কিছু সময়ৰ ভিতৰতে প্ৰত্যাক্ৰমণ কৰে ইৰানে। তাৎক্ষণিকভাৱে ৰাজধানী তেল আভিভকে ধৰি ইজৰাইলৰ বিভিন্ন স্থানক লক্ষ্য কৰি নিক্ষেপ কৰা হয় ড্ৰোন-ক্ষেপণাস্ত্ৰ। ইৰানী ৰিভলিউচনাৰী গাৰ্ডে অকল ইজৰাইলতে ক্ষান্ত নাথাকি সংযুক্ত আৰব আমিৰশ্বাহী, কুৱেইট, কাটাৰ আৰু বাহৰেইনস্থিত মাৰ্কিন সেনা-নৌসেনাৰ ঘাটিত প্ৰত্যাঘাত আনে। এই আক্ৰমণ-প্ৰত্যাক্ৰমণে সম্প্ৰতি সমগ্ৰ পশ্চিম এছিয়াতে সামৰিক উত্তেজনা-তীব্ৰ আতংকৰ সৃষ্টি কৰিছে। পশ্চিম এছিয়াৰ বিভিন্ন দেশত আমেৰিকাৰ সেনা ছাউনী আছে। ইৰানৰ সংবাদ সংস্থা ফাৰছৰ বাতৰি অনুসৰি সেই আমেৰিকাৰ সেনা ঘাটিসমূহকে লক্ষ্য কৰি প্ৰত্যাক্ৰমণ আৰম্ভ কৰিছে ইৰানে। ডুবাই, কাটাৰৰ ৰাজধানী ডোহাকে ধৰি বিভিন্ন স্থানত বিস্ফোৰণ সংঘটিত হৈছে। ইৰানী ৰিভলিউচনাৰী গাৰ্ডৰ তৰফৰ পৰা কোৱা হৈছে যে ইজৰাইলক আমি সমুচিত উত্তৰ দিছোঁ। ৰাজধানী তেল আভিভত ড্ৰোন-ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলোৱা হৈছে। ইজৰাইলে যদি ইৰানত আক্ৰমণ বন্ধ নকৰে, তেন্তে ইয়াতকৈও অধিক কঠোৰ পদক্ষেপ লোৱা হ'ব। ইৰানৰ আভ্যন্তৰীণ মন্ত্ৰীয়ে ইজৰাইল-আমেৰিকাৰ আক্ৰমণক তীব্ৰ নিন্দা কৰি কয় যে আলোচনাৰ পথ প্ৰশস্ত হোৱাৰ সময়তে আন্তৰ্জাতিক নিয়ম উলংঘা কৰি আক্ৰমণ চলালে। যাৰ সমুচিত জবাদ দিবলৈ তেহৰান প্ৰস্তুত। ইজৰাইল-আমেৰিকাৰ সেনা অভিযানৰ বিৰুদ্ধে সৰ্বশক্তি প্ৰয়োগ কৰা হ'ব। ইয়াৰ পিছতেই ইজৰাইলত প্ৰত্যাক্ৰমণ কৰাৰ দাবী কৰে তেহৰানে। ইয়াৰ বিপৰীতে ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাটজে এক তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে। আমাৰ ওপৰত চলাইছে। সেইদৰে দোহাতো মাতা হৈছে আক্ৰমণৰ আশংকা আছিল। সেয়েহে আত্মৰক্ষাৰ স্বাৰ্থতে আমি ইৰানৰ ওপৰত আক্ৰমণ চলাবলগীয়া হ'ল। এই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ঘটনাত বৃহৎ আন্তঃগাঁথনিৰ ক্ষতি হোৱাৰ লগতে বহুসংখ্যক লোকৰ প্ৰাণহানি ঘটাৰ সম্ভাৱনা প্ৰকট। অৱশ্যে বৰ্তমান পৰ্যন্ত ইয়াৰ কোনো সঠিক তথ্য পোহৰলৈ অহা নাই। তাৰ মাজতে ইৰানৰ এক সূত্ৰৰ উদ্ধৃতিৰে আন্তৰ্জাতিক সংবাদ সংস্থা ৰয়টাৰ্ছৰ বাতৰি মতে ইজৰাইল-আমেৰিকাৰ আক্ৰমণত ইৰানৰ বহুকেইজন সেনা বিষয়া আৰু শীৰ্ষ ৰাজনৈতিক নেতাৰ মৃত্যু হৈছে। কিন্তু এই বিষয়টো তেহৰান প্ৰশাসনৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে সদৰী কৰা হোৱা নাই। উল্লেখ্য যে পাৰমাণৱিক প্ৰকল্পক কেন্দ্ৰ কৰি ইৰান আৰু ইজৰাইল-আমেৰিকাৰ মাজত বহুদিন সংঘাত অব্যাহত আছে। এইক্ষেত্ৰত তেহৰানক মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্প আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যেহুৱে বাৰম্বাৰ সতৰ্ক কৰি আহিছিল। দুয়োখন দেশৰ তৰফৰ পৰা কোৱা হৈছিল যে ইৰানে যদি পাৰমাণৱিক প্ৰকল্পৰ ক্ষেত্ৰত নমনীয় মনোভাব নেদেখুৱায় আৰু পাৰমাণৱিক নিৰস্ত্ৰীকৰণ চুক্তিত স্বাক্ষৰ নকৰে, তেন্তে তৰ ফল ভুগিব লাগিব। ইয়াৰ মাজতে যোৱা বৃহস্পতিবাৰে আমেৰিকা আৰু ইৰানৰ প্ৰতিনিধি দলৰ মাজত ছুইজাৰলেণ্ডত এখন বৈঠক অনুষ্ঠিত হয়। কিন্তু সেই বৈঠকত কোনোধৰণৰ সমাধানসূত্ৰ নোলাল। তেতিয়াই আমেৰিকাই কেনেধৰণৰ পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিব, সেই কথা প্ৰায় স্পষ্ট হৈ পৰিছে। তাৰ পাছতেই ইৰানৰ ওপৰত যুটীয়াভাৱে আক্ৰমণ চলালে ইজৰাইল-আমেৰিকাই। লক্ষণীয়ভাৱে সেই সংঘাতৰ কাৰণে বিগত বৰ্ষৰ জুন মাহত ইজৰাইলৰ বিৰুদ্ধে সামৰিক অভিযান চলাইছিল ইৰানে। সেই অভিযানৰ নাম ইৰানে 'ৰাইজিং লায়ন' ৰাখিছিল। এইবাৰ ইৰানৰ বিৰুদ্ধে চলোৱা অভিযানৰ নাম ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যেহুৱে নিজেই 'লায়ন্স ৰোৰ' ৰখা বুলি সংবাদ প্ৰতিষ্ঠানৰ বাতৰিত প্ৰকাশ। পাকিস্তান-আফগানিস্তানৰ যুদ্ধই প্ৰাচ্য উত্তাল কৰি ৰখাৰ সময়তে ইৰান আৰু ইজৰাইল-আমেৰিকাই চলোৱা আক্ৰমণ-প্ৰত্যাক্ৰমণে মধ্যপ্ৰাচ্যতো বজালে ৰণদামামা। আকাশ সীমা বন্ধ কৰিলে ইৰান-ইৰাক-ইজৰাইলে তেহৰানত ক্ষেপণাস্ত্ৰ আক্ৰমণৰ পিছতেই আকাশ সীমা বন্ধ কৰি দিয়ে ইৰান আৰু ইৰাকে। অনুৰূপ পদক্ষেপ গ্ৰহণ কৰে ইজৰাইলেও। এয়াৰ ইণ্ডিয়াৰ তৰফৰ পৰা জানিবলৈ দিয়া অনুসৰি নতুন দিল্লীৰ পৰা তেল আভিভগামী এখন বিমানক মুম্বাইৰ পৰা ঘূৰাই পঠিওৱা হয়। সেইদৰে তেল আভিভৰ পৰা নতুন দিল্লীলৈ আহিবলগীয়া বিমানৰ পৰিসেৱাও ব্যাহত হৈছে বুলি জনাইছে তেহৰান ফ্লাইট ইনফৰমেচন ৰিজনে।

# অম্বিকাপুৰত ষষ্ঠ অসম আৰক্ষীৰ

পাভৈ আৰু তিনিচুকীয়াৰ অম্বিকাপুৰত কমাণ্ডো বাহিনীকেইটাৰ মুখ্য কাৰ্যালয় স্থাপনৰ সিদ্ধান্ত লোৱা হৈছিল। বিগত বৰ্ষৰ ৪ অ'ক্টোবৰত বিশ্বনাথৰ পাভৈত পঞ্চম অসম আৰক্ষী কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয় উদ্বোধন কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ৩৩১ বিঘা ভূমিত ১৬০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ষষ্ঠ অসম আৰক্ষী কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয়ত ৪০০ গৰাকী কমাণ্ডো থাকিব পৰাৰ ব্যৱস্থা ৰখা হৈছে। কমাণ্ডেণ্টৰ বাবে তিনি মহলীয়া আধুনিক কাৰ্যালয় ভৱন, অত্যাধুনিক সুৰক্ষা ব্যৱস্থা আৰু নিৰীক্ষণ টাৱাৰ, ২৫৪ গৰাকী কমাণ্ডো থাকিব পৰা আধুনিক বেৰেক, আন বিভিন্ন পদবীৰ বিষয়া-কৰ্মচাৰীৰ বাবে ১৪৯ টা আৱাসিক কোৱাৰ্টাৰো চৌহদটোত নিৰ্মাণ কৰা হৈছে। তদুপৰি চৌহদটোত গেলেৰীসহ পেৰেড গ্ৰাউণ্ড, শুটিং ৰেঞ্জ, ড্ৰিল শ্বেডৰ ব্যৱস্থা, কম্পিউটাৰ লেবসহ শ্ৰেণীকোঠা, ১০খন বিচনাযুক্ত চিকিৎসালয়, প্ৰাথমিক বিদ্যালয়, এ টি এম, নামঘৰ আদিও স্থাপন কৰা হৈছে। অসমৰ দৰে এখন ৰাজ্যত ৬টাকৈ কমাণ্ডো বাহিনী গঠন কৰাটো এটা গৌৰৱৰ বিষয় বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ডিফুত স্থাপন কৰা কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয়টো উদ্বোধনৰ বাবে সাজু হৈ আছে। আন তিনিটা বাহিনীৰ মুখ্য কাৰ্যালয় নিৰ্মাণৰ কামো আগবাঢ়িছে। তেওঁ কয় যে শদিয়াত স্থাপন কৰা কমাণ্ডো বাহিনীটোৱে অসম-অৰুণাচল সীমান্ত অঞ্চলত এক নিৰাপত্তাৰ পৰিৱেশ সৃষ্টি কৰিব আৰু ইয়াত থকা ভূমিত অসম আৰক্ষীৰ বাবে উন্নতমানৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। বেটেলিয়নটোক কেন্দ্ৰ কৰি অম্বিকাপুৰৰ আৰ্থ-সামাজিক বিকাশ হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে অম্বিকাপুৰত কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয় স্থাপনে শদিয়াৰ যুৱক-যুৱতীক অসম আৰক্ষীত যোগদানৰ বাবে অনুপ্ৰাণিত কৰিব আৰু চৰকাৰেও এই বাহিনীৰ জৰিয়তে অঞ্চলটোৰ যুৱক-যুৱতীক অসম আৰক্ষীত অন্তৰ্ভুক্ত হোৱাৰ বাবে সাজু কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে লাচিত বৰফুকন পুলিচ একাডেমী, অসম আৰক্ষী সেৱা প'ৰ্টেল, বাল্য বিবাহৰ বিৰুদ্ধে যুঁজ আদি বিভিন্ন ধৰণে অসম আৰক্ষীয়ে পেছাগত গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। অনুষ্ঠানত শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱা, বিধায়ক বলিন চেতিয়া, অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমীত সিং, গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Governor attends "Nation First" event at Narangi Military Station



Guwahati, RB News: As part of the week-long service oriented campaign launched by Lok Bhawan, Assam, Governor Shri Lakshman Prasad Acharya, attended an event named "Nation First" held at the 51 Sub Area, Narangi Military Station, Guwahati. On the occasion, the Governor felicitated some civilians and military personnel in recognition of their exemplary service and outstanding contribution to the nation. Addressing the dignitaries assembled on the occasion, Governor Shri Acharya extended his greetings to all present and stated that the activities organized under Sewa Sankalp Saptah on the theme "Nation First" symbolizes the collective national consciousness and shared resolve of the people. He observed that love for the motherland must flow naturally from the heart of every citizen, as patriotism is the foundation upon which a strong and united nation is built. The Governor said that "Nation First" is a guiding principle and a way of life. It calls upon every citizen to rise above personal interests and align their actions with the larger benefits of the country. The sovereignty, independence, and dignity of the nation, he said, can be preserved only when citizens discharge their duties with sincerity and with national interest as their foremost priority.

## Governor attends awareness programme on empowerment of adolescent girls



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya said that empowerment of adolescent girls is a national priority as the progress of the country is intrinsically associated with the capacity building of the women. Addressing the adolescent girls on an awareness programme organised as a part of the Sewa Sankalp Saptah at Assam Administrative Staff College here today, the Governor said that 'Nari Shakti' holds the key to overall development of the nation. He also said that empowerment of women is not merely a social responsibility but a national priority, as the progress of society and the nation is not possible without the progress of the women. The Governor underscored that empowerment is a transformative process that encompasses independent decision-making, self-reliance, self-confidence, and the courage to overcome challenges. He described adolescence as the most sensitive and decisive phase of life, where timely guidance, education, security, and opportunities can enable even an ordinary girl to achieve extraordinary success.

## Rinku Singh's father passes away



RB News: Indian cricketer Rinku Singh's father, Khanchand Singh, passed away at a hospital in Greater Noida on Friday morning after a prolonged battle with stage 4 liver cancer.He breathed his last at Yatharth Hospital in Greater Noida, Uttar Pradesh. He was on ventilator support for the past few days, hospital officials confirmed.Dr Sunil Kumar, spokesperson of the hospital, said Khanchand Singh's condition had deteriorated significantly after being admitted on February 21. "He was placed on ventilator support and breathed his last early this morning," Kumar stated. Family sources also confirmed the news, saying he had been fighting liver cancer for some time. Earlier, Rinku had left the Team India camp mid-T20 World Cup 2026 due to family emergency.

## Jammu and Kashmir create history



RB News: Jammu and Kashmir have created history by winning Ranji Trophy for the first time ever. The Ranji Trophy 2025-26 final between J&K and eight-time champions Karnataka ended in a draw, however, J&K secured the title by virtue of their first-innings lead. Paras Dogra-led Jammu and Kashmir scored 584 runs in the first innings and dismissed Devdutt Padikkal-led Karnataka for 293.

## England defeated New Zealand by four wickets



RB News:England defeated New Zealand by four wickets in their T20 World Cup 2026 Super Eight match in Colombo on Friday. With this, Pakistan remain alive in the tournament. New Zealand posted a total of 159/7, with England chasing down the target in 19.3 overs. Tom Banton top-scored for England with 33(24). England now have three wins from three matches in the Super Eights. New Zealand sit second in Group 2 with three points,while Pakistan are third with one point.

## LSG launch their new jersey ahead of IPL 2026



RB News: Lucknow Super Giants (LSG) have unveiled a new jersey ahead of the 2026 edition of the Indian Premier League (IPL), seemingly in the hope that it will change their fortunes after not winning a title since their debut in 2022 alongside the Gujarat Titans. The new design draws from the cultural fabric of Lucknow and Uttar Pradesh, where colour, craft and ritual shape everyday life, LSG said. Earlier this week, LSG had unveiled their new logo. The jersey features a bold red base with vertical navy blue stripes.

# দূৰদৰ্শিতা

কৰা ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল লক্ষ্য আৰু উদ্দেশ্যও কিন্তু শিক্ষাৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণত সহায়ক হোৱাকৈ সৃজনীশীল প্ৰতিভাসম্পন্ন নাগৰিক সৃষ্টি কৰাটোহে।

ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ৰ অৱতৰণিকাত উল্লেখ আছে,- " মানৱ সমাজৰ সম্ভাৱনীয়তা, সামাজিক ন্যায়নিষ্ঠতা আৰু ৰাষ্ট্ৰীয় বিকাশক পৰিপূৰ্ণ ৰূপত আগবঢ়াই নিয়াটোৱেই হ'ল প্ৰকৃত শিক্ষা। মানসম্পন্ন, সাৰ্বজনীন শিক্ষা প্ৰদান কাৰ্য্যই ভাৰতীয় শিক্ষা ব্যৱস্থাক আধাৰ প্ৰদান কৰিব আৰু অৰ্থনৈতিক বিকাশ, সামাজিক ন্যায় আৰু সমতা, বৈজ্ঞানিক অনগ্ৰসৰতা, ৰাষ্ট্ৰীয় সংহতি আৰু সাংস্কৃতিক সংৰক্ষণৰ কাৰ্য্য ব্যৱস্থাই ভাৰতবৰ্ষক বিশ্বৰ নেতৃত্ব স্থানত অধিষ্ঠিত কৰিব।"

মাননীয় সভাপতি বৰুৱা ডাঙৰীয়াৰ শিক্ষা সম্পৰ্কীয় ব্যাখ্যা আৰু ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ৰ লক্ষ্য আৰু উদ্দেশ্যক সংশ্লিষ্ট সকলোৱে গভীৰ ভাবে উপলব্ধি কৰিব পৰাটোতেই নিহিত আছে আমি আমাক আৰু আমাৰ উত্তৰ প্ৰজন্মক জীৱন আৰু জগত সম্পৰ্কত কেনে মাৰ্গ দৰ্শন দিবলৈ লৈছোঁ।

অনুগল্প

## অনাকাংক্ষিত অনুভৱ

প্ৰদীপ মেধি,গুইজান



তাইৰ কেৰাহীকৈ চোৱা চাৱনিটোৱে বিজয়ৰ অন্তৰ দহি গ'ল । ইমান বুজনি দিয়া সত্তেও তাই অকামিলা ল'ৰাটোৰ লগত পলাই গ'ল, এতিয়া তাইৰ অৱস্থাটো দেখিলে পুতৌ জন্মে কিন্তু উপায় নাই ।

অনুগল্প

## প্ৰকৃত মূল্য



তুলিকা খাটনীয়াৰ, সৰ্থেবাৰী, বৰপেটা

সময় ৰৈ নাথাকে, সকলোকে লাগে, সৎ ব্যৱহাৰেই হ'ল সময়ৰ প্ৰকৃত মূল্যাংকন।


**JANASANYOG- 4671/25/1-March-26**






ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286

প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ

Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# সংবিধানত নাৰী- অধিকাৰ আৰু সমাজৰ বাস্তৱ চিত্ৰ



**ময়ূৰী বৰগোহাঁই, শিৱসাগৰ**

ভাৰতীয় সংবিধান আধুনিক গণতান্ত্ৰিক মূল্যবোধৰ এক মৌলিক নথি হিচাপে পৰিগণিত হ'লেও, নাৰী-অধিকাৰৰ প্ৰশ্নত ইয়াৰ প্ৰায়োগিক সফলতা এক গভীৰ বৌদ্ধিক বিতৰ্কৰ বিষয় হৈ আছে। আইনী পাঠ্য আৰু সামাজিক বাস্তৱতাৰ মাজৰ ব্যৱধান এই ক্ষেত্ৰত বিশেষভাৱে স্পষ্ট । ফেমিনিষ্ট জুৰিসপ্ৰুডেন্সৰ মতে, আইন কেতিয়াও নিৰপেক্ষ নহয়; ই সমাজৰ বিদ্যমান ক্ষমতা-সম্পৰ্ক, লিংগীয় মানসিকতা আৰু ঐতিহাসিক আধিপত্যৰ প্ৰতিফলন বহন কৰে (MacKinnon, ১৯৮৯)। এই দৃষ্টিকোণৰ পৰা ভাৰতীয় সংবিধানত নাৰী-অধিকাৰৰ উপস্থিতি পৰ্যালোচনা কৰিলে দেখা যায় যে আইনী সমতাৰ ঘোষণাই স্বয়ংক্ৰিয়ভাৱে সামাজিক মুক্তি নিশ্চিত নকৰে।

সংবিধানৰ অনুচ্ছেদ ১৪, ১৫, ১৬ আৰু ২১-এ নাৰী-পুৰুষৰ আইনী সমতা আৰু মৌলিক অধিকাৰ সুনিশ্চিত কৰে। সংবিধানৰ অনুচ্ছেদ ১৪ নাৰী-পুৰুষৰ আইনী সমতাৰ কথা ঘোষণা কৰে, অনুচ্ছেদ ১৫(১) লিংগৰ আধাৰত বৈষম্যক নিষিদ্ধ কৰে আৰু অনুচ্ছেদ ১৫(৩)ৰ জৰিয়তে নাৰীৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ অধিকাৰ ৰাজ্যক প্ৰদান কৰে। ইয়াৰ লগতে অনুচ্ছেদ ১৬ সমান সুযোগৰ নিশ্চয়তা দিয়ে, অনুচ্ছেদ ২১ জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ সুনিশ্চিত কৰে। কাগজত চাবলৈ গ'লে এই সংবিধানিক ব্যৱস্থা সমূহে নাৰীক এক পূৰ্ণ নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰে-যি নাগৰিকৰ অধিকাৰ কোনো পুৰুষৰ তুলনাত কম নহয়। বিশেষকৈ অনুচ্ছেদ ১৫(৩)ৰ জৰিয়তে নাৰীৰ বাবে বিশেষ ব্যৱস্থাৰ অনুমতি প্ৰদান কৰি সংবিধানে "formal equality"ৰ পৰা "substantive equality"ৰ দিশে আগবঢ়াৰ প্ৰয়াস কৰিছে। তথাপি ফেমিনিষ্ট আইন তত্ত্বই যুক্তি আগবঢ়ায় যে আইনী ভাষাত ব্যৱহৃত "সমতা" প্ৰায়েই পুৰুষ-অভিজ্ঞতাক মানদণ্ড হিচাপে লৈ গঢ় লৈ উঠে (MacKinnon, ১৯৮৯)। ফলস্বৰূপে, নাৰীৰ জীৱনৰ বিশেষ সামাজিক বাস্তৱতা-যেনে গৃহস্থালি শ্ৰম, যত্নমূলক কৰ্ম, যৌন হিংসা বা সামাজিক নিয়ন্ত্ৰণ-আইনৰ মূল কাঠামোত প্ৰান্তিক হৈ পৰে।

ostcolonial feminism-এ এই সমস্যাটোক আৰু গভীৰভাৱে উন্মোচন কৰে। চন্দ্ৰ তালপাডে মহান্তীৰ মতে, উপনিবেশোত্তৰ সমাজসমূহত নাৰীৰ অভিজ্ঞতা কেৱল লিংগীয় বৈষম্যৰ ফল নহয়; ই ঔপনিবেশিক ইতিহাস, জাতি, শ্ৰেণী আৰু সংস্কৃতিৰ সৈতে আন্তঃসম্পৰ্কিত (Mohanty, ২০০৩)। ভাৰতীয় সংবিধান ঔপনিবেশিক শাসনৰ পাছত গঢ় লৈ উঠা এখন নথি যদিও, ইয়াৰ আইনী কাঠামো বহুক্ষেত্ৰত পশ্চিমীয়া উদাৰনৈতিক ধাৰণাৰ ওপৰত আধাৰিত। এই ধাৰণাই বহু সময়ত ভাৰতীয় সমাজৰ বহুত্ববাদী আৰু স্তৰভিত্তিক বাস্তৱতাক সম্পূৰ্ণৰূপে ধৰি ৰাখিব নোৱাৰে।


এই পৰিপ্ৰেক্ষিতত নাৰী-অধিকাৰৰ সংবিধানিক আশ্বাস আৰু সমাজৰ বাস্তৱ চিত্ৰৰ মাজৰ বৈপৰীত্য স্পষ্ট হয়। আইনত নাৰী সমান নাগৰিক, কিন্তু সামাজিক অনুশীলনত তেওঁলোকে আজিও সীমাবদ্ধ ভূমিকা পালন কৰিবলৈ বাধ্য। পাৰ্থ চেটাৰ্জীয়ে উল্লেখ কৰা মতে, উপনিবেশোত্তৰ ভাৰতীয় জাতীয়তাবাদে "ঘৰ" আৰু "বাহিৰ"ৰ এক বিভাজন সৃষ্টি কৰিছিল, য'ত নাৰীক নৈতিকতাৰ বাহক হিচাপে ঘৰৰ ভিতৰত স্থাপন কৰা হৈছিল (Chatterjee, ১৯৯৩)। এই ঐতিহাসিক ধাৰণাই আজিও সামাজিক মানসিকতাত প্ৰভাৱ পেলাইছে আৰু সংবিধানিক অধিকাৰৰ বাস্তৱ ৰূপায়ণক সীমিত কৰিছে।

ফেমিনিষ্ট জুৰিসপ্ৰুডেন্স এই ক্ষেত্ৰত আইনৰ পুনৰব্যাখ্যা আৰু সামাজিক প্ৰসংগীকৰণৰ প্ৰয়োজনীয়তা উল্লেখ কৰে। কেৱল আইন প্ৰণয়ন যথেষ্ট নহয়; আইন কেনেদৰে প্ৰয়োগ কৰা হৈছে, কাক সুৰক্ষা দিছে আৰু কাক নীৰৱ কৰি ৰাখিছে-এই প্ৰশ্নসমূহ সমান গুৰুত্বপূৰ্ণ। নাৰী-অধিকাৰ সম্পৰ্কীয় বহু আইন থকাৰ পাছতো যৌন হিংসা, গৃহস্থালি হিংসা আৰু কৰ্মক্ষেত্ৰত বৈষম্য অব্যাহত থকাটো এই কথাৰেই সাক্ষ্য যে

*(চৈধ্য পৃষ্ঠাত চাওক)*

# সপোন

**দৰিনা পায়ুন, মাজুলী**



মাজুলী জিলাৰ এখন সৰু গাঁও। সন্ধিয়া বেলি ব্ৰহ্মপুত্ৰৰ পাৰত ঠাণ্ডা বতাহ, গাঁওখনৰ চাহৰ দোকানখনত সদায়ে যুৱক-যুৱতীসকলৰ ভিৰ লাগে। সেই দোকানখনতেই অনু, ৰূনজুন আৰু হিমাংশু প্ৰতিদিনে বহি চাঁহ খায়। তিনিওজন একে কলেজত পঢ়ে, কিন্তু সপোন তিনিওজনৰে বেলেগ। অনুৰ মনত এটা সপোন-ডাক্তৰ হ'ব। কিন্তু ঘৰৰ আৰ্থিক অৱস্থা বেয়া। ৰূনজুনৰ সপোন সাংবাদিক হ'ব। তেওঁ গাঁৱৰ কাহিনী, মানুহৰ দুখ-সুখ লিখিব বিচাৰে। কিন্তু গাঁৱৰ মানুহে কয়, "এইবোৰ কৰি কি লাভ?"

হিমাংশু- সি সদায়ে কয়, "মই ইউটিউব চেনেল খুলিম, অসমীয়া কন্টেন্ট বনাম।" বন্ধুসকলে হাঁহে, কিন্তু সি থমকি নাথাকে।

এদিন সন্ধিয়া, চাহৰ দোকানখনত বহি থকা অৱস্থাত ৰূনজুনে ক'লে- "আমি কিয় সদায়ে ভয় খাই থাকিম? সপোন দেখাটো ভুল নেকি?"

অনু চুপ হৈ থাকিল। তাৰপাছত ক'লে- ভয় লাগে। যদি বিফল হওঁ?"

হিমাংশু হাঁহি ক'লে-"বিফল হ'লে কি? অন্তত চেষ্টা কৰিলোঁ বুলি ক'ব পাৰিম।"

সেইদিনা তিনিওজনে এক সিদ্ধান্ত ল'লে- ভয় নকৰাকৈ আগবাঢ়িম।

অনুৱে প্ৰতিদিনে ৰাতি দেৰিলৈ পঢ়া আৰম্ভ কৰিলে। ৰূনজুনে গাঁৱৰ বৃদ্ধা আইতাকৰ কাহিনী লিখি এটা অনলাইন পেইজত প্ৰকাশ কৰিলে। হিমাংশুৱে মোবাইলৰে সৰু ভিডিঅ' বনাই আপলোড কৰিলে। প্ৰথমে কোনো ডাঙৰ ফল নাহিল। কিছুমানে সমালোচনা কৰিলে। কিছুমানে হাঁহিলে। কিন্তু তেওঁলোকে এৰি নিদিলে। এবছৰৰ পাছত- অনু মেডিকেল কলেজত চিট পালে। ৰূনজুনৰ লেখা এখন ডাঙৰ অনলাইন প'ৰ্টেলত প্ৰকাশিত হ'ল। হিমাংশুৰ ভিডিঅ' ভাইৰেল হ'ল। চাহৰ দোকানখনত পুনৰ তিনিওজন বহি আছে। এইবাৰ হাঁহিটো বেলেগ। আত্মবিশ্বাসেৰে ভৰা।

ৰূনজুনৰ মুখত এটা বাক্য- "সপোন ডাঙৰ সৰু নহয়। সাহস থাকিলে হ'ল।"

"আজিৰ যুৱসমাজৰ ডাঙৰ শত্ৰু ভয় আৰু সন্দেহ। কিন্তু চেষ্টা আৰু আত্মবিশ্বাসেৰে যিকোনো গাঁওৰ চাহৰ দোকানৰ পৰা আৰম্ভ হোৱা সপোনো আকাশ পোৱা যায়।"

# ১৯ ছেপ্টেম্বৰ শুক্ৰবাৰ



**অমিয়া বেগম**

সেই দিনটো আছিল ১৯ ছেপ্টেম্বৰ,
বিশ্ববাসীৰ প্ৰাণৰ এজন মহান শিল্পীক
হেৰুৱাৰ দিন ।
সমগ্ৰ অসমবাসীৰ বাবে
আছিলা তুমি
সংগীত জগতৰ
এটা উজ্বল নক্ষত্ৰ।
আমাৰ সকলোৰে
হিয়াৰ আমঠু তুমি ।
আজিও বুকুখন
ধৰফৰকৈ কান্দি উঠে
সেই দিনটোৰ কথা
মনলৈ আহিলে ।
কেতিয়াবা এনেকুৱা
ভাব হয় যেন
তুমি জীয়াই আছা,
মৃত্যু তোমাৰ হোৱা নাই
যেন তুমি গভীৰ নিদ্ৰাত
মগ্ন হৈ আছা।
ভাৰত তথা অসমবাসীক
কন্দুৱাই সেই দিনাই
হেৰুৱালো আমি
সেই মহান শিল্পী
প্ৰাণৰ জুবিন গাৰ্গ ।।

# ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ শিবিৰ আৰু মোৰ অনুভৱ

**ৰিমী হাজৰিকা,নিকিনি খোৰা, মাজুলী**

ফ্ৰেব্ৰুৱাৰী মাহৰ ২১ তাৰিখৰ পৰা ২৭ তাৰিখলৈ মাজুলীৰ শালমৰা অঞ্চলত পূৱ মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ শিবিৰ যুৱ সমাজৰ ব্যক্তিত্ব বিকাশ আৰু যুৱনেতা সৃষ্টিৰ এক উল্লেখ যোগ্য পদক্ষেপ। এই শিবিৰৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দলীয় কাৰ্য সম্পাদন কৰাৰ বাবে যে একতাৰ প্ৰয়োজন সেই কথা উপলব্ধি কৰোৱা হয়। তাৰোপৰি এই শিবিৰৰ দ্বাৰা স্বেচ্ছাসেৱক সকলৰ দক্ষতা বিকাশ, পৰিষ্কাৰ পৰিচ্ছন্নতা, সময়ানুবৰ্তীতা, নিয়মানুবৰ্তিতা, একাগ্ৰতা, ধৈৰ্য, সাহস, একতা আৰু পৱিত্ৰতাৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰা হয়। এই শিবিৰৰ জৰিয়তে স্বেচ্ছাসেৱক সকলে সমাজৰ বিভিন্ন ক্ষেত্ৰত যেনে স্বাস্থ্য, শিক্ষা, পৰিষ্কাৰ পৰিচ্ছন্নতা ইত্যাদি বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়ায়।

শালমৰা অঞ্চলক তোলনীয়া গাওঁ হিচাপে লৈ এই শিবিৰ সাত দিনৰ বাবে অনুষ্ঠিত কৰা হল। এই শিবিৰৰ মূখ্য উদ্দেশ্য আছিল-" দুৰ্যোগৰ বিপদ হ্ৰাসত যুৱ শক্তিঃ ঐতিহ্য আৰু স্বাস্থ্যৰ জৰিয়তে শক্তিশালী আৰু সচেতন সমাজ গঢ়ি তোলা।"এই শিবিৰৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰী সকলক ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সক্ৰিয় স্বেচ্ছাসেৱক হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হয়। এই শিবিৰৰ দ্বাৰা স্বেচ্ছাসেৱক সকলে শালমৰা অঞ্চলৰ ঐতিহ্য মণ্ডিত মৃৎ শিল্প আৰু ইয়াৰ ভৱিষ্যত সংৰক্ষণ, বানপীড়িত লোকৰ সমস্যা আৰু সমাধান, পশুধন আৰু ইয়াৰ সুৰক্ষা, জীৱন আৰু জীৱিকা, নৈ পৰীয়া অঞ্চলৰ অভাৱ - অভিযোগ ইত্যাদি বহু বিষয়ত ক্ষেত্ৰ অধ্যয়ন কৰে। ইয়াৰ আনুসংগিক ভাৱে শালমৰা উচ্চ মাধ্যমিক বিদ্যালয় আৰু শান্তিপুৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰী সকলৰ মাজত নানা প্ৰতিযোগিতা অনুষ্ঠিত কৰি তেওঁলোকৰ মান নিৰূপণ কৰা হয়। লগতে ছাত্ৰ ছাত্ৰী সকলৰ মাজত বন্ধুত্ব আৰু দক্ষতা বিকাশৰ মূল্যায়ন কৰা হয়।

সাত দিনীয়া শিবিৰৰ প্ৰথম দিনা মহাবিদ্যালয়ৰ অধ্যক্ষ দিপক বৰা ছাৰৰ সভাপতিত্বত অনুষ্ঠিত কৰা উদ্বোধনী সভাৰ জৰিয়তে এই বিশেষ শিবিৰৰ শুভাৰম্ভ কৰা হয়। স্বেচ্ছাসেৱক সকলে শালমৰা বাসী ৰাইজৰ প্ৰত্যেক ঘৰতেই বানপানী আৰু ইয়াৰ অসুবিধা সম্পৰ্কত এক জৰীপ কাৰ্য সম্পাদন কৰে।

দ্বিতীয় দিনা মৃৎ শিল্প আৰু ইয়াৰ ভৱিষ্যত সংৰক্ষণ সম্পৰ্কীয় ক্ষেত্ৰ অধ্যয়ন, জলবাহিত ৰোগ আৰু ইয়াৰ সচেতনতা সম্পৰ্কে সজাগতা সভা অনুষ্ঠিত কৰা হয়। তৃতীয় দিনা শালমৰা অঞ্চলৰ ঐতিহ্য মণ্ডিত চিপহা নামঘৰত শ্ৰম দান, যুৱক বিজয় মিলন সংঘত শ্ৰম দান, চতুৰ্থ দিনা শান্তিপূৰ প্ৰাথমিক বিদ্যালয় আৰু শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ত শ্ৰম দান, পঞ্চম দিনা শান্তিপূৰ প্ৰাথমিক বিদ্যালয় আৰু শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ ছাত্ৰীৰ মান নিৰূপণ কৰাৰ লগতে বিভিন্ন প্ৰতিযোগিতা, শালমৰা অঞ্চলত পশুপালন আৰু টীকাকৰণ সজাগতা, বানপীড়িত লোকৰ সমস্যা আৰু ইয়াৰ সচেতনতা সম্পৰ্কে ক্ষেত্ৰ অধ্যয়ন, ষষ্ঠ দিনা বানপানী আৰু ভূমিকম্প সজাগতা সম্পৰ্কে বাটৰ নাট আৰু সাংস্কৃতিক অনুষ্ঠান, আৰু সপ্তম দিনা সামৰণী অনুষ্ঠানেৰে সামৰণি কৰা হয়।

সাত দিনীয়া এই বিশেষ শিবিৰত শালমৰা বাসী ৰাইজৰ অৱদান আৰু পৃষ্ঠপোষকতা অতিশয় লেখত লবলগীয়া। স্বেচ্ছাসেৱক সকলৰ বিভিন্ন ক্ষেত্ৰত থকা অসুবিধা সমূহ দূৰ কৰি শালমৰা বাসী ৰাইজে যি পৰামৰ্শ আৰু সহায় সহযোগিতা আগবঢ়ালে সেইয়া সদায় স্বেচ্ছাসেৱক সকলৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। এই ক্ষেত্ৰত বহু কেইজন বৰেণ্য ব্যক্তিয়ে আমাৰ এই কাৰ্যসূচী সফল ৰূপায়ন কৰাত অগ্ৰণী ভূমিকা পালন কৰিলে। তেওঁলোকৰ একান্ত শ্ৰম আৰু প্ৰচেষ্টাৰ ফলত স্বেচ্ছাসেৱক সকলে শালমৰা অঞ্চলৰ ভৌগোলিক জ্ঞান আৰু পৰিসংখ্যাৰ ক্ষেত্ৰত এক সম্যক অভিজ্ঞতা লাভ কৰে। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰগ্ৰেম অফিচাৰ উত্তম শইকীয়া ছাৰ আৰু ক্ষেত্ৰ পৰিচালক খগেন চমুৱা ছাৰৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলস্বৰূপে এই শিবিৰ ফলপ্ৰসূ হৈ উঠে।


## ফাগুনৰ ৰং



**শৈলেন কুমাৰ, মিৰ্জা**

পচোৱাই দি যায় ফাগুনৰে জাননী,
শিমলুৰ ৰঙত কঁপাই ধৰণী।
শুকান পাতৰ চেওঁত বিৰিঙিছে হাঁহি,
বতাহত উৰিছে ফাগুনৰে বাঁহী।
আকাশত উৰে আজি ৰঙৰ ফাকু,
উলাহত নাচে মোৰ হিয়াৰ পাখি।
আবিৰৰ বোলত হেৰাইছে দুখ,
ফাকুৱাৰ ৰঙে সানিলে সবাৰে মুখ।
শুকান পাতৰ মৰমৰ শব্দত
আজি ফাগুনৰ কি যে মাদকতা
লঠঙা ডালত শিমলুৰ কলি,
প্ৰকৃতিয়ে আঁকিলে ৰঙীন আল্পনা।
আবিৰৰ ফাকুত বিলীন আজি
মনৰ যতেক দুখৰ ধূলি,
ফাকুৱাৰ ৰঙে আনিলে হেঁপাহ
প্ৰতিটো প্ৰাণত আনন্দ সানি।
বসন্তৰ দুতৰ এই মধুৰ বেলাত
হওক সকলোৰে জীৱন জিলমিল,
মৰম আৰু বিশ্বাসৰ ৰঙেৰে
বান্ধ খাওক একতাৰ নিবিড় মিল।

## আজান পৰত শুনা



**Swagon Borah**

আজান পৰত শুনা
ৰুনুক জুনুক পায়েলৰ
শব্দত
দুচকুৰ অৰ্দ্ধ  চাৱনীত
দেখা পালো হাহিৰ কোলাহলৰ
মাজত শেৱালীৰ তলভৰা
ফুলৰ সুগন্ধৰ মাজত তুমিয়েই
নেকি মোৰ ইন্দ্ৰ মালতি ?

## সংবিধানত নাৰী- অধিকাৰ আৰু

আইনী ব্যৱস্থা সামাজিক মানসিকতা সলনি নকৰিলে সীমাবদ্ধ হৈ থাকে ।

ইয়াতেই postcolonial feminismৰ এক গুৰুত্বপূৰ্ণ অৱদান লক্ষ্যণীয় । এই তত্ত্বই নাৰী-অধিকাৰক কেৱল পশ্চিমীয়া মুক্তিৰ মডেলৰ দৃষ্টিৰে নাচায় স্থানীয় সামাজিক বাস্তৱতাৰ সৈতে সংলাপত আনিবলৈ কয় । গায়ত্ৰী চক্ৰৱৰ্তী স্পিভাকে উত্থাপন কৰা "Can the Subaltern Speak?" প্ৰশ্নটো এই প্ৰসংগত বিশেষ তাৎপৰ্যপূৰ্ণ (Spivak, ১৯৮৮) । ভাৰতীয় সমাজত বহু নাৰী-বিশেষকৈ দলিত, আদিবাসী আৰু প্ৰান্তিক শ্ৰেণীৰ-আজিও সংবিধানিক ভাষাত নিজৰ কথা ক'ব পৰা অৱস্থাত নাই। সেয়েহে নাৰী-অধিকাৰৰ আলোচনাত যদি এই বহুস্তৰীয় বাস্তৱতাক অন্তৰ্ভুক্ত নকৰে, তেন্তে ই আংশিক আৰু এলিট-কেন্দ্ৰিক হৈ পৰে ।

সামগ্ৰিকভাৱে চাবলৈ গ'লে, সংবিধানত নাৰী-অধিকাৰৰ উপস্থিতি এক গুৰুত্বপূৰ্ণ ঐতিহাসিক অগ্ৰগতি যদিও, তাৰ সামাজিক বাস্তৱায়ণ এক অবিৰত সংগ্ৰাম। ফেমিনিষ্ট জুৰিসপ্ৰুডেন্স আৰু postcolonial feminism এই দুয়ো দৃষ্টিকোণেই এই কথাটো স্পষ্ট কৰে যে আইনী সমতা আৰু সামাজিক ন্যায় একে বস্তু নহয় । সংবিধান আমাক ন্যায়ৰ এক কাঠামো প্ৰদান কৰে, কিন্তু সেই কাঠামোক জীৱন্ত কৰি তুলিবলৈ সামাজিক সচেতনতা, সাংস্কৃতিক ৰূপান্তৰ আৰু ক্ষমতা-সম্পৰ্কৰ পুনৰ্গঠন অত্যাৱশ্যক।

এই দৃষ্টিত নাৰী-অধিকাৰৰ প্ৰশ্ন কেৱল নাৰীসকলৰ অধিকাৰ-সংগ্ৰাম নহয়; ই ভাৰতীয় গণতন্ত্ৰৰ নৈতিক গভীৰতা আৰু সামাজিক প্ৰগতিৰ পৰিমাপক। যেতিয়ালৈকে সংবিধানৰ ভাষা নাৰীৰ জীৱনৰ বাস্তৱ অভিজ্ঞ তাৰ সৈতে সম্পূৰ্ণৰূপে সংলগ্ন নহ'ব, তেতিয়ালৈকে এই বিষয় গৱেষণা, বিতৰ্ক আৰু বৌদ্ধিক অনুসন্ধানৰ এক অনিবাৰ্য ক্ষেত্ৰ হিচাপে বিদ্যমান থাকিব ।